# চতুর্থ অধ্যায়

# নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰৰ অতিৰিক্ত দিশসমূহ

## ৪.০.০ নন্দনতত্ত্বৰ অন্য দিশসমূহ ঃ

"নন্দনতত্ত্ব (Aesthetics) শিল্প-সাহিত্যৰ সৌন্দৰ্য বিষয়ক অধ্যয়ন ক্ষেত্ৰ। সৌন্দৰ্য পিয়াসী মানৱ প্ৰাণক সৌন্দৰ্যানুভূতিয়ে চিৰদিন অনুপ্ৰাণিত কৰি ৰাখিছে।"[১] সেইবাবেই যিকোনো স্ৰষ্টাৰ সৃষ্টিক পৰৱৰ্তীকালত বিভিন্নজনে (কলামোদী, ৰসিক, অনুগামী, সহৃদয়জনে) বিভিন্ন দিশেৰে আলোচনা অধ্যয়ন কৰা দেখা যায়। যিকোনো কলাৰ লগতে সৌন্দৰ্য, আনন্দ আৰু ৰসৰ কথা জড়িত হৈ থাকে। য'ত ধুনীয়া দেখা পায়, তাতেই আনন্দ পায় আৰু তাতেই ৰসত ডুবি থাকে। গতিকে শব্দ, সুৰ, ৰেখাৰ মাধ্যমত প্ৰকাশ পোৱা কলাৰ যিকোনো ৰূপৰ প্ৰতিয়েই পাঠক, শ্ৰোতা, কলাৰসিকজন আগ্ৰহী হোৱাটো স্বাভাৱিক কথা। নন্দনতত্ত্ব অৰ্থাৎ কলাৰ সুন্দৰতাৰ বিজ্ঞানসন্মত, পদ্ধতিগত অধ্যয়নে কলাৰ সুন্দৰতাৰ সূক্ষ্মতম কাৰক, কাৰকসমূহৰ পুংখানুপুংখ অধ্যয়ন কৰে। অৰ্থাৎ নিৰ্দিষ্ট কেইজনমান নন্দনতাত্ত্বিকৰ সংজ্ঞা বা নন্দনতাত্ত্বিক দৃষ্টিভংগীৰে কলাৰ আলোচনা কৰিলেই যিকোনো কলাৰূপৰ নন্দনতত্ত্বৰ আধাৰত অধ্যয়নে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। বিশেষকৈ কবিতাৰ প্ৰসঙ্গত যাৰ বিষয়ে নুসুধিলে বহু কথাই ক'ব পাৰি, সুধিলে একো ক'ব নোৱাৰি বুলি কোৱা হয় - সেই জটিল অথচ সুক্ষ্মতম কলাৰূপ কবিতাৰ নন্দনতত্ত্বৰ সকলো দিশ সামৰি অধ্যয়ন বা আলোচনা সম্ভৱ হ'ব নোৱাৰে। সেই অৰ্থতেই শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গতো শঙ্কৰদেৱৰ কাব্যত ৰস, অলংকাৰ, ছন্দ আদি প্ৰাচ্য আলংকাৰিকৰ মূল দিশকেইটাৰ উপৰি অন্য বহুতো দিশৰ কথাও অৱধাৰিত ভাৱে আহি পৰে। তেনেদৰে পাশ্চাত্য নন্দনতত্ত্বৰ আধাৰ বুলি প্লেটো, এৰিষ্টট'ল, হোৰেছ, লঙ্গিনাচ, বোমনাৰ্টেনতে একমাত্ৰ আৰু সৰ্বশেষ বুলি ধৰিলে নহ'ব। যিকোনো কলাৰ বিশেষকৈ সাহিত্যিক (কাব্যক) নন্দনতত্ত্বৰ আধাৰত অধ্যয়নৰ প্ৰসঙ্গত কবিতা সৃষ্টিৰ প্ৰক্ৰিয়া, কবিতাৰ, স্বধৰ্ম নিৰ্ণয় বা প্ৰকৃতি আৰু কাব্য প্ৰকাশে কাব্যানুবাদী শ্ৰোতা পাঠকৰ মনোজগতত দৃষ্টি কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বা প্ৰভাৱৰ দৰে বিষয়ৰ অধ্যয়নো দাবী কৰে।

---

১ চণ্ডীচৰণ গোস্বামী "অসমীয়া সাহিত্যত নন্দনতত্ত্বৰ চৰ্চা এক সমীক্ষা", তিলক বৰাৰ *কাব্য আৰু কাব্যতত্ত্ব*, পৃ.১৮৫

শঙ্কৰদেৱৰ কাব্যত নন্দনতত্ত্বৰ তাত্ত্বিকদিশৰ আধাৰত প্ৰাচ্য আৰু পাশ্চাত্যৰ নন্দনতত্ত্বৰ প্ৰতিফলন সম্পৰ্কে ইতিমধ্যে বিচাৰ কৰা হ'ল। ইয়াৰ পিছতো দেখা যায় শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্য কেইটিমান অতিৰিক্ত গুণৰ ওপৰতো নিৰ্ভৰ কৰিছে। এই গুণসমূহ বহল অৰ্থত নন্দনতত্ত্বৰ কেইটিমান সুক্ষ্মদিশ বুলি ক'ব পাৰি। শঙ্কৰদেৱেৰ কাব্য বিচাৰত আলোচনা কৰিবলগীয়া এই দিশসমূহ হ'ল - শঙ্কৰদেৱৰ কাব্যত কাহিনীভাগৰ লোক-সাংস্কৃতিক উপাদান, শঙ্কৰদেৱৰ কাব্যৰ চিত্ৰণত লোক-সাংস্কৃতিক, সমল, শঙ্কৰদেৱৰ বিভিন্ন পৰিৱেশ বৰ্ণনাৰ লোক-সাংস্কৃতিক সমলৰ ব্যৱহাৰ, 'ভাগ্য'ৰ অৱতাৰণাবোৰে লোকবিশ্বাসৰ প্ৰতিফলন, অলংকাৰ আদি আভূষণৰ কৌশলগত উল্লেখেৰে সৌন্দৰ্য সৃষ্টি, ভাষা আৰু ৰচনাভঙ্গীত লোকসমলৰ প্ৰয়োগ সৌন্দৰ্য, কবি সচেতনতাৰ প্ৰকাশ ঃ কাব্য সৌন্দৰ্যৰ কাৰক, শঙ্কৰদেৱৰ কাব্যত বৰ্ণনাৰ স্বাভাৱিকতা আৰু স্বচ্ছন্দতাৰ সৌন্দৰ্য, চৰিত্ৰৰ বৰ্ণনাৰ সৌন্দৰ্য, চৰিত্ৰৰ মাজৰ সম্পৰ্কৰ গভীৰতা বৰ্ণনাৰ সৌন্দৰ্য, নাৰী চৰিত্ৰ নিমাৰ্ণৰ সৌন্দৰ্য, শব্দ আৰু ভাষা প্ৰয়োগৰ সৌন্দৰ্য, জীৱনমুখী দৃষ্টিভংগী, বৰ্ণনাৰ সৌন্দৰ্য, যুদ্ধৰ বৰ্ণনাৰ সৌন্দৰ্য, প্ৰকৃতিৰ ৰূপ বৰ্ণনাৰ সৌন্দৰ্য, নগৰ বৰ্ণনাৰ সৌন্দৰ্য, শাৰীৰিক ৰূপ বৰ্ণনাৰ সৌন্দৰ্য ইত্যাদি।

নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ বিষয় অধ্যয়নৰ প্ৰসঙ্গত প্ৰাচ্য-পাশ্চাত্যৰ 'নন্দনতত্ত্ব'ৰ আধাৰত অধ্যয়নৰ প্ৰসঙ্গত বিভিন্ন আনুষঙ্গিক বিষয় তথা দিশবোৰো এনেদৰে আলোচনা কৰা হ'ল —

### ৪.১.০ লোক-সাংস্কৃতিক উপাদানৰ বৈভৱ আৰু সৌন্দৰ্য ঃ

আখ্যান বা বিষয়বস্তুৰ মনোগ্ৰাহিতা তথা বৰ্ণনাৰ চাতুৰ্য আৰু সৌন্দৰ্যক একাষৰীয়া কৰিও শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্যৰ অন্যতম কাৰক হ'ল - কাব্যসমূহৰ লোক সাংস্কৃতিক উপাদানৰ বৈভৱ।

লোকসাংস্কৃতিক সমলৰ বৰ্ণনাৰে শ্ৰীমন্ত শঙ্কৰদেৱে কাব্যসমূহ পাঠকৰ ওচৰ চপাই নিছে। ফলত কাব্যসমূহ পাঠকৰ নিজৰ কাব্য হৈ পৰিছে। লোকসাংস্কৃতিক সমলৰ বৰ্ণনা তথা সেই বৰ্ণনাই আনি দিয়া উদাত্ততা (Sublimity)ত পাঠক আত্মবিস্মৃত হয়, সন্মোহিত হয় আৰু বাৰে বাৰে একেখন কাব্যত সোমাই থাকিব বিচাৰে। এনেবোৰ কাৰণতে কেইবা শতিকাজুৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্যই বিপুল জনপ্ৰিয়তা লাভ কৰি আহিছে।

শঙ্কৰদেৱৰ কাব্যসমূহ বহুবোৰ লোক কথা তথা লোক সাংস্কৃতিক সমলেৰে বৈভৱশালী আৰু এই লোকসাংস্কৃতিক উপাদানসমূহৰ শিল্পগুণ সম্পন্ন উত্থাপনেই কাব্যসমূহৰ সৌন্দৰ্য। এই সৌন্দৰ্যত পাঠক আনন্দিত হয়, কাব্যৰ মাজত পাঠকে নিজৰ 'লোকজীৱন'টো বিচাৰি পায়, কাব্যপাঠেৰে Sublimity (উদাত্ততা)ত অধিষ্ঠিত হয় ফলত কাব্যৰ জনপ্ৰিয়তা বাঢ়ে, কাব্যখন ৰসোত্তীৰ্ণ হয়, কালোত্তীৰ্ণ হয়।

শঙ্কৰদেৱৰ কাব্যত লোক সাংস্কৃতিক সমলৰ এনেদৰে সমাহাৰ ঘটা দেখা যায় -

### ৪.১.১ কাহিনীভাগৰ লোক-সাংস্কৃতিক উপাদান ঃ

শঙ্কৰদেৱে অসমীয়া লোকৰ বাবে ৰচনা কৰা কাব্যসমূহত লোকজীৱনৰ সুন্দৰ প্ৰকাশ দেখা যায়। সেয়ে কম বেছি পৰিমানে প্ৰায় প্ৰতিখন কাব্যতে লোকজীৱনৰ প্ৰকাশ দেখা যায়। অৱশ্যেই আটাইতকৈ বৃহৎ কলেৱৰৰ তথা সৰ্বাধিক জনপ্ৰিয় কাব্য *ৰুক্মিণী হৰণ*তে লোক সাংস্কৃতিক সমলৰ ব্যাপক হাৰত প্ৰকাশ দেখা যায়। *ৰুক্মিণী হৰণ* কাব্যৰ কাহিনীত কুণ্ডিলৰ ৰজা-ৰাণীৰ জীয়েক, ৰাজকুঁৱৰী ৰুক্মিণীয়ে দ্বাৰকাধিপতি কৃষ্ণক পতিৰূপে বৰণ কৰিব বিচাৰিছে, যুৱৰাজ তথা জ্যেষ্ঠভাতৃ ৰুক্মবীৰে ছেদিৰাজ শিশুপালক ভনীজোঁৱাই ৰূপে বিচাৰিছে। বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ অন্ততঃ ৰজাৰ কুঁৱৰীৰ দ্বাৰকাধিপতিৰ সৈতে বিবাহ সম্পন্ন হৈছে। মুঠতে কাব্যখনৰ কাহিনীত ৰাজকীয় পৰিৱেশ প্ৰকাশিত হ'ব লাগে। কিন্তু কবি শংকৰদেৱে সমুখৰ চহাজনৰ উদ্দেশ্যি ৰচনা কৰা কাব্যখনত প্ৰত্যেকটো বিষয়ত ৰাজকীয়ত্বতকৈ এনেধৰণৰ সাধাৰণজনৰ সৈতে প্ৰত্যেকটো বিষয়তে থকা মানৱীয় গুণসম্পন্ন কৰি তুলিছে যে কাব্য পাঠেৰে চহাজনে কাহিনীৰ পৰা দূৰত অৱস্থান কৰিব নালাগে। কন্যাৰ বিয়াক লৈ পিতৃ-মাতৃৰ উদ্বিগ্নতা, ধাইৰ মানসিক অৱস্থা, ৰজা হৈও জ্ঞাতিজনৰ পৰামৰ্শ লোৱা, জ্যেষ্ঠ ভাতৃৰ পিতৃ-মাতৃৰ বিপৰীত স্থানত অৱস্থান সকলো ঘটনাই লোকজনৰ জীৱনত ঘটি থকা বা ঘটিব পৰা পৰিৱেশ। গতিকে কাহিনীৰ বৰ্ণনাত লোকসাংস্কৃতিক সমল তথা লোকজীৱনৰ সাৰ্থক প্ৰতিচ্ছবি পৰিলক্ষিত হয়। কাহিনীত লোকজীৱনৰ উদাহৰণ এনেদৰে দাঙি ধৰিব পাৰি -

মাতৃৰ চিন্তা ঃ

"সাত-পাঞ্চ নাহিকে জীয়াই এক গুটি
কেনমতে আসে প্ৰভু নিচিন্ত ঘুমটি।" (ৰুক্মিণী হৰণ ,পদ ৩৬)

বিয়নীক কন্যা সমৰ্পন কৰাৰ থলুৱা ৰীতি ঃ

"পাঞ্চ পুত্ৰ মাজে জীৱ এক খানি, সম্যক মোহোৰ জীৱ।

কাবৌ কৰো হেৰা পালিবা গোসানী, তোমাৰেসে ভৈল জীয়।।" (ৰুক্মিণী হৰণ)

বিয়নীলৈ বিয়নীৰ আশ্বাস ঃ

"তোমাৰেসে জী জমাই তোমাৰেসে ঘৰ।

তুমিসে আপোন হৈবা, আমি হৈবো পৰ।" ৫১ (ৰুক্মিণী হৰণ)

অবুজ পুত্ৰলৈ মাকৰ বুজনি ঃ

"কৃষ্ণ হেন স্বামীক পাউক জীয়াই ৰুক্মিনী।

মঙ্গল কাৰ্য্যত বাপ নাপাও বিঘিনি।।" ৫৬ (ৰুক্মিণী হৰণ)

একেদৰে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যতো হৰিশ্চন্দ্ৰ শৈব্যা-ৰোহিতাশ্বৰ এখন পাৰিবাৰিক সংসাৰৰ উত্থান-পতনৰ ঘটনাৱলী জীৱন্ত ৰূপত দাঙি ধৰা দেখা যায়।

ৰোহিতাশ্ব শিশু দেখি ক্ষুধায়ে কান্দিলা আতি

মাৱৰ চাপিলা আসি কোল

আই দিয়া অন্নপান ভোকে হেৰা যায় প্ৰাণ

উঠা বুলি গলত বান্ধয়

হেৰা চাৱা শুখাই মুখ নুৱাৰো সহিবে দুখ

এহি বুলি কুমাৰ কান্দয়।। ২৮৫ (হৰিশ্চন্দ্ৰ উপাখ্যান)

*কুৰুক্ষেত্ৰ* কাব্যতো এখন ভৰা সংসাৰৰ প্ৰতিচ্ছবি ফুটি উঠে। শঙ্কৰদেৱৰ সময়ত অসমীয়া সমাজত বহুপত্নী বিবাহ থকাৰ দৰে *কুৰুক্ষেত্ৰ* কাব্যতো কৃষ্ণৰ অষ্ট মহিৰ্ষী সমন্বিতে এখন ভৰা সংসাৰৰ ছবি ফুটি উঠা দেখা যায়। দৈৱকী-যশোদাৰ মিলন, বসুদেৱ-নন্দৰ মিলন দুজন পুৰণা বন্ধুৰ মিলন সদৃশহে।

একে আসনতে থাকে নন্দ বসুদেৱ।

যশোদা দৈৱকী দুয়ো নেৰৈ কাকো কেৰ।। (কুৰুক্ষেত্ৰ কাব্য, ৪২৮)

এনেদৰে শঙ্কৰদেৱে তেওঁৰ কাব্যসমূহৰ মাজেদি নিজে প্ৰতিনিধিত্ব কৰা অসমীয়া সমাজখনৰ হুবহু প্ৰতিচ্ছবি পাঠকৰ আগত দাঙি ধৰিছিল। কাব্যৰ বিষয়বস্তু পাঠকৰ বাবে সহজ চিনাকী; তেনে চিনাকী বিষয়ক কাব্য ৰূপ দি শঙ্কৰদেৱে কাব্যৰ সৈতে পাঠকৰ 'আপোনত্ব' ভাৱ জগাই তুলিব পাৰিছিল। এনেধৰণৰ পাঠকৰ আত্মীকৰণ শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্যৰ বিষয় হৈ পৰিছে।

### ৪.১.২ চৰিত্ৰ চিত্ৰণত লোক-সাংস্কৃতিক সমল ঃ

শঙ্কৰদেৱৰ কাব্যৰ চৰিত্ৰসমূহ অসমীয়া পাঠকৰ একেবাৰে চিনাকী। কাব্যৰ চৰিত্ৰসমূহ ৰজা বা ৰজাঘৰৰ লগত প্ৰত্যক্ষ ভাৱে সম্পৰ্কিত। তথাপিও শঙ্কৰদেৱে চৰিত্ৰসমূহত লোক-সাংস্কৃতিক সমলৰ এনেদৰে সংযোজন ঘটাইছে যে সিবিলাক সাধাৰণ জনৰ সৈতে একাকাৰ হৈ পৰিছে। চৰিত্ৰৰ সৈতে পাঠকৰ এনে ধৰণৰ সাদৃশ্যই কাব্যখনক সৌন্দৰ্যশালী কৰি তুলিছে।

*হৰিশ্চন্দ্ৰ উপাখ্যান*ত বিশ্বামিত্ৰৰ দ্বাৰা কোপিত হৰিশ্চন্দ্ৰ সাংসাৰিক জীৱনত এজন ক্ষমতা হেৰুৱাবলগীয়া শাসক, পত্নী-পুত্ৰক নিৰাপত্তা দিব নোৱাৰা অসহায় পুৰুষ। চৰিত্ৰৰ এনেধৰণৰ ভিন্ন মাত্ৰিকতা তথা বিশ্বাসযোগ্যতাই অসমীয়া পাঠকৰ কাব্যখনক আপোন কৰি তোলে। কিয়নো অসমীয়া লোকসমাজত নথকা নেদেখা অবিশ্বাস্য চৰিত্ৰক শঙ্কৰদেৱে কাব্যত চিত্ৰিত কৰা নাই।

*ৰুক্মিণী হৰণ* কাব্যত ভীষ্মকৰ মাজেদি কন্যাদায়গ্ৰস্ত পিতৃৰ মনঃস্তত্ব, শশীপ্ৰভাৰ দ্বাৰা জীয়েকৰ বিয়াক লৈ মাকৰ উৎকণ্ঠা, ৰুক্মবীৰৰ জৰিয়তে জ্যেষ্ঠ পুত্ৰৰ সুবাদত লোৱা সুবিধাৰ অপ প্ৰয়োগ, কৃষ্ণৰ দ্বাৰা প্ৰেমিক, পতি চৰিত্ৰ, সুমালিনী ধাইৰ দ্বাৰা পৰিয়ালত সন্তান ধাইৰ দ্বাৰা লালিত-পালিত হোৱাৰ পৰম্পৰা; লীলাৱতী, মদনমঞ্জুৰীৰ দ্বাৰা সখী প্ৰাণা সঙ্গী, বেদনিধিৰ দ্বাৰা অসমৰ স্নেহময় গুৰুৰ প্ৰকাশ ঘটা দেখা যায়। সুমালিনীয়ে কৃষ্ণক কৈছে -

> কত পুন্য পাইলে, তোমাক সুস্বামী, ইহ পৰলোকে গতি।
> দিনে দশ দোষ ক্ষমিবা আপুনি, ৰুক্মিণী যে শিশুমতি।।

**পৰিয়াল সংৰচনা ঃ** *কুৰুক্ষেত্ৰ* কাব্যত কৃষ্ণই নন্দ-যশোদাক সাৰটি কন্দাৰ কথাই সন্তানৰ সুখ-দুখৰ শেষ আশ্ৰয় যে পিতৃ-মাতৃয়ে সেই কথাকে শঙ্কৰদেৱে বৰ্ণাইছে এনেদৰে -

পিতৃ-মাতৃক ধৰি লগতে কান্দন্ত হৰি

আনো যত সুহৃদ সমাজ।

(কুৰুক্ষেত্ৰ কাব্য, ৪৬০)

সুদীৰ্ঘকালৰ বিৰতিৰ অন্তত নন্দ-যশোদাৰ সৈতে কৃষ্ণৰ মিলনৰ ফলত অকল নন্দ-যশোদা কৃষ্ণৰে চকুপানী ওলোৱা নাই; তেওঁলোকৰ লগতে "আনো যত সুহৃদ সমাজে" ও চকুপানী নিগৰাইছে। অসমীয়া "সুহৃদে" সুখ আৰু শোক সকলোতে সকলোৰে সমভাগী হোৱাৰ ই এটা উদাহৰণ।

**৪.১.৩ বিভিন্ন পৰিৰেশ বৰ্ণনাৰ লোক-সাংস্কৃতিক সমলৰ ব্যৱহাৰ ঃ**

শঙ্কৰদেৱৰ কাব্যসমূহত একোটা কাহিনীৰ বিৱৰণ থকা দেখা যায়। সেই কাহিনীৰ প্ৰয়োজনতে বিভিন্ন পৰিৰেশৰ অৱতাৰণা কৰা হয়। অসমৰ প্ৰেক্ষাপটত অসমীয়া পাঠকৰ বাবে ৰচিত কাব্যসমূহত শঙ্কৰদেৱে অসমীয়া লোক পৰিৰেশসমূহকে চিত্ৰিত কৰিছিল। সেয়ে শঙ্কৰদেৱৰ কাব্যত এখন সম্পূৰ্ণ অসমীয়া সমাজৰ প্ৰতিফলন ঘটা দেখা যায়। ৰজা বা ৰাজকীয় পটভূমিৰ চৰিত্ৰসমূহ হ'লেও চৰিত্ৰৰ মানৱীয়কৰণ তথা লোকজীৱন প্ৰকাশক পৰিবেশৰ বৰ্ণনাৰ বাবেই কাব্যৰ সুন্দৰতা বৃদ্ধি পায় আৰু পাঠকে কাব্য পাঠত আনন্দ পায়। উদাহৰণস্বৰূপে - শঙ্কৰদেৱৰ সৰ্বাধিক জনপ্ৰিয় কাব্য *ৰুক্মিণী হৰণত* দেখা যায় - মূলতঃ পঞ্চভাতৃৰ একমাত্ৰ ভগ্নী ৰুক্মিণীৰ কৃষ্ণৰ প্ৰতি প্ৰেম, শিশুপালৰ ৰূপত প্ৰেমৰ প্ৰতিবন্ধক শেষত কৃষ্ণ-ৰুক্মিণীৰ বিবাহেৰে কাহিনীৰ পৰিসমাপ্তি ঘটিছে যদিও ৰুক্মিণীহৰণৰ সকলো পৰিৰেশত লোক-সাংস্কৃতিক সমলৰ পয়োভৰ ঘটা দেখা যায়। শাসন ব্যৱস্থা, পৰিয়ালৰ সংগঠন (বিবাহৰ প্ৰসঙ্গত পৰিয়ালৰ সকলোৰে লগত আলোচনা জ্যেষ্ঠ পুত্ৰৰ পৰিয়াল বিশেষত বিশেষ কদৰ, বিয়নীৰ সৈতে আলাপ), সাজ-সজ্জা, অলংকাৰ প্ৰসাধন (ৰুক্মিণীৰ বিবাহৰ প্ৰসঙ্গত) সামাজিক লোকাচাৰ (ৰুক্মিণীৰ লগত যৌতুক দিয়া), শাও-শপনি (ৰুক্মবীৰৰ বাধাত ৰুক্মিণীৰ ককায়েকৰ প্ৰতি ক্ষোভৰ বহিঃপ্ৰকাশ), দ্বাৰকাত দৰা-কইনা আদৰা, শিশুপাল-ৰুক্মবীৰৰ গালি আৰু কৃষ্ণৰ উত্তৰ, শিশুপাল-ৰুক্মবীৰৰ সৈতে কৃষ্ণৰ যুদ্ধ বৰ্ণনা আদিৰ পৰিৰেশত লোক-সাংস্কৃতিক সমল ঠাহ খাই আছে। এনে লোক-সাংস্কৃতিক সমলে কাব্যৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে পাঠককো আনন্দ দান কৰে।

### ৪.১.৪ “ভাগ্য”ৰ অৱতাৰণাৰে লোকবিশ্বাসৰ প্ৰতিফলন ঃ

অসমীয়া লোকৰ মাজত ভাগ্য বিশ্বাসৰ এটা প্ৰৱণতা থকা দেখা যায়। শঙ্কৰদেৱৰ কাব্যৰ বিষয়ৰ গভীৰতা তথা ব্যাপকতাৰ লগত ‘ভাগ্য’ৰ সংযোজন অসম্ভৱ যেন অনুভৱ হয়। কবি শঙ্কৰদেৱৰ কৃতিত্ব আৰু মহত্ত্ব এইখিনিতে যে আপাতদৃষ্টিত অসম্ভৱ যেন লগা বিষয়কো উপস্থাপনৰ চাতুৰ্যই পাঠকৰ ওচৰ চপাই নিয়ে। শঙ্কৰদেৱৰ কাব্যৰ ‘ভাগ্য’ জড়িত পদসমূহ হ’ল -

**ৰুক্মিণী হৰণ ঃ** কতো ভাগ্য পাইবো আমি কৃষ্ণক জমাই
সুখেসে থাকিব মোৰ ৰুক্মিণী জীয়াই। ৪৩

কৃষ্ণ হেন স্বামী পাইবো কত পুন্যভাগে
মোহোৰ ভাগ্যক আব কি কহিবে লাহে। ৪৫

**হৰিশ্চন্দ্ৰ উপাখ্যান ঃ** পূৰ্ব্ব জনমৰ কৰ্ম্ম লিখিত কপাল
তোমাৰ হুইবাক ধৰ্মই হৰিশ্চন্দ্ৰক কয় লাগে অৱশ্যে চাণ্ডাল। ৪৬২

**বলি ছলন ঃ** আপদ সম্পদ আমি মিলে কৰ্ম্ম গতি।
দৈৱক বাধিবে পাৰে কাহাৰ শকতি।। ৯৩৮

**কুৰুক্ষেত্ৰ ঃ** যিটো ভাগ্যশূন্য তাৰ জীৱন নিষ্ফল
এহি বুলি ভৈলা কুন্তী নয়ন সজল। ৪৭

কিনো ভাগ্য ভৈলা তুমি মোৰ মহামিত্ৰ
আজিসে জানিলো ভৈল পৰম পৱিত্ৰ। ৮৭

ভাগ্যৰ প্ৰতি বিশ্বাসৰ প্ৰকাশে শঙ্কৰদেৱৰ কাব্যসমূহক অসমীয়া লোকমনৰ ওচৰ চপাই নিছে। অসমীয়া চহা লোকে সহজভাৱেই ভাগ্যক বিশ্বাস কৰে। সেই অৰ্থতে শঙ্কৰদেৱৰ কাব্যত ভাগ্যৰ প্ৰসঙ্গ অৱতাৰণা কৰিছে। শঙ্কৰদেৱৰ কাব্যত ভাগ্যৰ প্ৰসঙ্গ থাকিলেও ভাগ্যবাদীসুৰ প্ৰতিধ্বনিত হোৱা নাই। ভাগ্যৰ সমাৰ্থক কপাল, বিধি, দৈৱ আদি বিভিন্ন শব্দৰ প্ৰয়োগেৰে কাব্যক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। এনেবোৰ শব্দৰ সুন্দৰ প্ৰয়োগৰ বাবেই পাঠকে কাব্যৰ পৰা আনন্দ পায়। কাব্যখন আপোন বুলি ভাবিব

পাৰে। সেই অৰ্থতে শঙ্কৰদেৱৰ কাব্যত ভাগ্য বা ভাগ্যসম্বন্ধীয় প্ৰসঙ্গৰ অৱতাৰণাই সৌন্দৰ্য সৃষ্টি কৰিছে বুলিব পাৰি।

### ৪.১.৫ অলংকাৰ আদি আভূষণৰ কৌশলগত উল্লেখেৰে সৌন্দৰ্য সৃষ্টি ঃ

অসমীয়া নাৰীৰ অলংকাৰৰ উল্লেখেৰে শঙ্কৰদেৱে কাব্যত কৌশলগতভাৱে সৌন্দৰ্যৰ সৃষ্টি কৰাৰ লগতে অসমীয়া লোক সমাজত প্ৰচলিত অলংকাৰৰো বিৱৰণ দাঙি ধৰা দেখা যায়। এই বিৱৰণ বিশেষ উদ্দেশ্যযুক্ত। ৰাজকীয় পটভূমিৰ চৰিত্ৰৰ লগত অলংকাৰৰ উল্লেখ দেখা নাযায়। শৈব্যা, ৰুক্মিণী, বিন্ধ্যাৱলী, ৰুক্মিণী, সত্যভামা, জাম্বৱতী সকলো স্বাভাৱিকতেই অলংকাৰেৰে ভূষিতা। শঙ্কৰদেৱে এওঁলোকৰ মাজেৰে অসমীয়া অলংকাৰৰ লেখ আৰু সৌন্দৰ্য দাঙি ধৰাৰ প্ৰয়োজনবোধ কৰা নাই। বৰং *অমৃত মথন*ত দেৱতা-দানৱৰ মাজত অমৃত বিতৰণৰ মুহূৰ্তত অলংকাৰেৰে সুশোভিতা লক্ষ্মীদেৱীৰ ৰূপ বৰ্ণনা কৰিছে। বিষয়ৰ প্ৰয়োজনত লক্ষ্মীদেৱীয়ে চকু ছাট লগাব পৰাকৈ মোহনীয় হ'বই লাগিব। সেয়ে শঙ্কৰদেৱে সেই বৰ্ণনা তীব্ৰ কৰিবৰ বাবে অলংকাৰৰ বৰ্ণনা দি কাহিনীয়ে বিচৰা দৰে অসমীয়া গহনাৰ বৰ্ণনাৰে সৌন্দৰ্য সৃষ্টি কৰিছে। শঙ্কৰদেৱৰ বৰ্ণনাত অসমীয়া গহনা সমূহ এনেধৰণৰ -

বিশ্বকৰ্ম্মে পিন্ধাইলা বত্ৰিশ অলঙ্কাৰ।
কেয়ূৰ কঙ্কণ চাকিশালে হেমহাৰ।।
ৰত্নৰ গুলিয়া গলপাতা জেঠি মুঠি।
দশো আঙ্গুলিত জাপ সোণাৰ আঙ্গুঠি।। ২৪৭

শিৰত মুকুট শিখে প্ৰকাশে সিন্দুৰ।
ৰুণ ঝুণ বাজে পাৱে ৰত্নৰ নূপুৰ।।
জ্বলে আঙ্গুলিত ৰত্ন উজণ্টিৰ পান্তি।
ত্ৰৈলোক্যমোহন পদ পঙ্কজৰ কান্তি।। (অমৃত মথন, ২৪৮)

এনে বৰ্ণনাই কাব্যৰ চৰিত্ৰসমূহক মোহনীয়, সৌন্দৰ্যশালী কৰি তোলাৰ লগতে কাব্যৰ সৌন্দৰ্যও বৃদ্ধি কৰা দেখা যায়।

### ৪.১.৬ ভাষা আৰু ৰচনাভঙ্গীত লোকসমলৰ প্ৰয়োগ-সৌন্দৰ্য ঃ

শঙ্কৰদেৱৰ কাব্যৰ ভাষা আৰু ৰচনাভঙ্গীত লোকসমলৰ সুন্দৰ আৰু সুষম প্ৰয়োগ ঘটা দেখা যায়। অসমীয়া চহা লোকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাকে শঙ্কৰদেৱে কাব্যসমূহত ব্যৱহাৰ কৰিছিল। আনকি চৰিত্ৰৰ বচনভঙ্গীও চহা, সহজ সৰল অসমীয়া পাঠকসকলৰ দৰেই ৰাখিছিল। ৰুক্মিণীহৰণ কাব্যত দুই বিয়নী দৈৱকী-শশীপ্ৰভাৰ পৰস্পৰক দিয়া বুজনি দুগৰাকী অসমীয়া শাহুৰ পৰস্পৰক দিয়া বুজনিহে যেন। একেখন কাব্যৰে বচনভঙ্গীৰ উদাহৰণ হিচাপে দেখুৱাব পাৰি যে -

মোৰসে ভগিনী নেয় কাৰ কিবা হানি
আনৰ জৰত কোনে আনে পিয়ে খাৰ পানী।

এই পদফাকিয়ে ৰজাৰ পুত্ৰ ৰুক্মবীৰতকৈ কইনা ৰুক্মিণীৰ ৰককায়েকৰ ভনীয়েকৰ প্ৰতি থকা ক্ষোভ, উদ্বিগ্নতা, একপ্ৰকাৰৰ হতাশাৰ অকপট প্ৰকাশ বুলিব পাৰি। আকাংক্ষিত জনক বৰ হিচাপে বৰণ কৰিব নোৱাৰা ককায়েকৰ যন্ত্ৰনা, হতাশাৰ এনে তীব্ৰতম প্ৰকাশ তথা প্ৰকাশভঙ্গী সাধাৰণ জনতকৈ কোনোক্ষেত্ৰতে পৃথক নহয়। সেইদৰে ৰাজশাসন, আদৰ-অভ্যৰ্থনা, অস্ত্ৰ-শস্ত্ৰ, সমল বুজোৱা শব্দ, আহাৰ-বিহাৰ সম্বন্ধীয়, আচাৰ অনুষ্ঠান বিষয়ক শব্দবোৰেও লোকজীৱনকে প্ৰতিনিধিত্ব কৰে। যিকোনো এজন ককায়েক আৰু ৰুক্মৰ মাজত এই খিনিত একো পাৰ্থক্য নাই। আন দহজন ককায়েকৰ দৰেই ৰুক্মবীৰে কৈছে আৰু কৰিছে।

আমাৰ বংশত তই ভৈলি ধূমকেতু, যেন ঢোণ্ডা কাকে লৈয়া যাই সোণ্ডা কল, অমৃতক বাঞ্চে যেন চুকৰ ভেকুলি, হিলদল ভাঙি যায় ৰথ চক্ৰে পথ - আদি পটন্তৰ, ফকৰা যোজনা, প্ৰবচনৰ প্ৰয়োগেৰে ৰুক্মিণীহৰণ কাব্য লোকজনৰ নিচেই কাষ চাপি যোৱা দেখা যায়।

অসমীয়া লোকবিশ্বাস (বাঁও অঙ্গ কঁপা, যুদ্ধৰ সময়ত ৰুক্মবীৰে অমঙ্গলীয়া দৃশ্য দেখা) আৰু বিবাহৰ নিখুঁট চিত্ৰ (পানীতোলা, কইনা আদৰা, যৌতুক, আপ্যায়ন, বিয়নীৰ বুজনি) ই ৰুক্মিণীহৰণ কাব্যত লোক-সাংস্কৃতিক সমলৰ বৈভৱ আৰু এই বৈভৱে আনি দিয়া সৌন্দৰ্যকে প্ৰকাশ কৰে।

এনেদৰে শঙ্কৰদেৱৰ কাব্যসমূহত লোক-সাংস্কৃতিক সমলৰ সমাহাৰ ঘটা দেখা যায়। লোক-সাংস্কৃতিক সমলৰ সমাহাৰেৰে কাব্য সমৃদ্ধ হ'লেও কোনো ক্ষেত্ৰত ই ভাৰাক্ৰান্ত হোৱা নাই। বৰং লোক-সাংস্কৃতিক

সমলৰ উপযুক্ত আৰু উচিত সমাহাৰে কাব্য সৌন্দৰ্য বৃদ্ধিত সহায়কহে হৈছে। সাংস্কৃতিক সমলৰ সুপ্ৰয়োগৰ বাবেই তদানীন্তন অসমীয়া লোকজীৱনৰ এখন সাৰ্থক তথা যথাযথ প্ৰতিচ্ছৱি ফুটি উঠা দেখা যায়। লোকজীৱনৰ সকলো দিশ সামৰি লোৱা বাবেই শঙ্কৰদেৱৰ কাব্য ৰসোত্তীৰ্ণ আৰু কালোত্তীৰ্ণ হ'ব পাৰিছে। প্ৰতিজন পাঠকেই কাব্য কোনোবা নহয় কোনোবাখিনিত কিবা ধৰণেৰে নিজক বিচাৰি পায়। সাহিত্যৰ সৈতে পাঠকৰ এনেধৰণৰ আত্মীকৰণে কাব্যসমূহ পাঠকৰ ওচৰ চপাই নিয়াত সহায়ক হৈছে।

লোক-সাংস্কৃতিক সমলৰ সংযোজনৰ বাবে শঙ্কৰদেৱৰ পৰৱৰ্তী প্ৰজন্মই এই কাব্যখনৰ জৰিয়তে নিভাঁজ অসমীয়া সমাজৰ প্ৰতিচ্ছৱি উদ্ভাসিত হৈ উঠা দেখিবলৈ পায়। সেইবাবেই বাণীকান্ত কাকতিয়ে ৰুক্মিণীহৰণ কাব্যৰ প্ৰসঙ্গত এটি মন্তব্য আগবঢ়াইছে যে - "মুঠতে গোটেই কাব্যখনেই অসমীয়া ঘৰুৱা আৰু সামাজিক জীৱনৰ ওপৰত প্ৰতিষ্ঠিত।"

অসমীয়া মানুহৰ কিছুমান বিশ্বাস আৰু ধাৰণা কাব্যসমূহত প্ৰকাশ পাইছে. তাৰে দুটামান উদাহৰণ -

**হৰিশ্চন্দ্ৰ উপাখ্যান ঃ**

ফান্দে বাম কৰ উৰু          অনাবাৰে ভাগে তৰু
পৰ্ব্বত শিখৰ পৰে খসি।
সঘনে নিৰ্ঘাত পৰৈ          ঘনে ঘনে ভূমি লৰৈ
একে আকাশতে দুই শশী।। ৬২

**কুৰুক্ষেত্ৰ কাব্য ঃ** সংযোগ বিয়োগ মিলে ঈশ্বৰৰ ইচ্ছায়। ১৪৪

কালৰ অধীন সৱে নোহো স্বতন্তৰ।। ১৪৬

**অজামিল উপাখ্যান ঃ** পদ্মপত্ৰ জল জীৱন চঞ্চল
কৈত কেতিক্ষনে যায়।। ৫৩

**অমৃত মথন ঃ** যাক নমাৰিয়া হাতে তাক মাৰো ভাতে।। ২৮

নযাহা সঞ্জাত যেৱে ধৰো পুত্ৰ শিৰ।। ৬৪

বিশেষত মহন্তৰ এহি ব্যৱহাৰ

পৰজীৱ ৰাখে জীৱ দিয়া আপোনাৰ। ২০৬

কৈত শুনি আছা কৰে বেস্যাত বিশ্বাস।। ৩৫৪

এনেদৰে শঙ্কৰদেৱৰ কাব্যত লোকসমলৰ প্ৰয়োগৰ উদাহৰণ দাঙি ধৰিব পাৰি। শঙ্কৰদেৱে লোকসমলৰ প্ৰয়োগেৰে বিষয়ৰ বিশ্বাসযোগ্যতাৰ লগতে চৰিত্ৰ, চৰিত্ৰৰ ক্ৰিয়াকলাপ পাঠকৰ তেনেই চিনাকী কৰি তুলিলে। যাৰ বাবে পাঠকে কাব্যৰ সৈতে আত্মীয়তা অনুভৱ কৰিব পাৰে। এনেধৰণৰ আত্মীয়তাৰ বাবেই কাব্য সমূহে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল বুলিব পাৰি।

**৪.২.০. কবি শঙ্কৰদেৱৰ আত্ম সচেতনতা সৌন্দৰ্যৰ সৃষ্টিৰ বিৰল কাৰক ঃ**

শঙ্কৰদেৱৰ সমসাময়িক অন্য কবিৰ ৰচনাত আত্মপৰিচয়ৰ প্ৰকাশে গতানুগতিক নিয়ম মানিছে যদিও শঙ্কৰদেৱৰ ক্ষেত্ৰত ইয়ে বিৰল সৌন্দৰ্যৰ সৃষ্টি কৰিছে। কাৰণ নিজৰ কাব্যশক্তিৰ প্ৰতি উচিৎ আস্থা, আত্ম সমালোচনা আৰু পাঠকৰ ওচৰ চপাৰ কৌশল স্বৰূপৰ এনে প্ৰয়োগে কাব্যসমূহ সুন্দৰ, বলিষ্ঠ আৰু নিৰ্ভৰযোগ্য কৰি তুলিছে। শঙ্কৰদেৱ ঘটনাক্ৰমত বা পৰিস্থিতিত পৰি কবি হোৱা নাছিল বা কাব্য ৰচনা কৰা নাছিল। বৰং তেওঁ সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰি নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি সচেতন হৈহে কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল। কাব্যৰ মাজে মজে নিজৰ কবিসত্ত্বাৰ প্ৰসঙ্গৰ সচেতনভাৱে উপস্থাপন কৰি এই কথা প্ৰতীয়মান কৰি থৈ গৈছে। কাব্য কেইখনৰ ক্ষেত্ৰত দেখা যায় মূল কাহিনীয়ে গতি লাভ কৰাৰ পাছত যেতিয়াই 'কবিৰ উপদেশ' বুলি দুই চাৰিটা স্তৱক ৰচিত হৈছে , তেতিয়াই শঙ্কৰদেৱে কবি হিচাপে আত্মপৰিচয় দিছে -

কৃষ্ণৰ কিংকৰ কবি শঙ্কৰে ৰচিলা হৰি

অমৃত মথন কথা সাৰ। (অমৃত মথন, ১৬৩)

হৰিবংশ কথা কবি শঙ্কৰে সম্প্ৰতি।
ৰুক্মিণী হৰণ পদবন্ধে নিগদতি।। (ৰুক্মিণী হৰণ, ৪)

কৃষ্ণৰ কিঙ্কৰে কবি শঙ্কৰে ৰচিলা ছবি
পদ হৰিবংশ কথা সাৰ।। (ৰুক্মিণী হৰণ, ১১০)

হৰিবংশ পদ ৰচিলা শঙ্কৰে
আশেষ হৌক প্ৰচাৰ।। (ৰুক্মিণী হৰণ, ৭৯৪)

ঝুমুৰি শঙ্কৰে ভাগে/শুনিয়োক সৰ্বজনে (অমৃত মথন, ৮৮)

সেইদৰে উত্তৰাকাণ্ড ৰামায়ণত শঙ্কৰদেৱে উল্লেখ কৰিছে -

আমাৰ কবিতা জানি নিন্দা নুবুলিবা বাণী
নকৰিবা তত্ত্ব উপদেশ (পদ ৭৫৫)

শঙ্কৰদেৱে তেওঁৰ কবিতাক "নিন্দা বাণী নুবুলিবা" বুলি অনুৰোধ জনাই থৈ গৈছে। অৱশ্যে "তেওঁ যে কবি সেই সচেতনতা যিদৰে আছে, তেওঁ যে প্ৰমাদহীন নহয় সেই কথা ব্যক্ত কৰাৰ বিনয়ো আছে।"[২] গুৰু মহেন্দ্ৰ কন্দলিৰ টোলৰ পাঠ্যক্ৰমত সংস্কৃত আছিল, পূৰ্বসূৰী মাধৱ কন্দলীকে মুখ্য কৰি হেম সৰস্বতী হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলি কবিৰত্ন সৰস্বতী আদি কবিসকলৰ উত্তৰসূৰী হিচাপে অসমীয়া কাব্যৰ শক্তিশালী ঐতিহ্যৰ সৈতে পৰিচিতিয়েই শঙ্কৰদেৱক, কাব্য ৰচনাক এটা সুদৃঢ় পৃষ্ঠভূমি, আধাৰ দান কৰিছিল। যাৰ বাবে কাব্যৰ মাজত ভনিতা পেলাওতে শঙ্কৰদেৱে অকল কৃষ্ণৰ কিংকৰ, কহয় শঙ্কৰেই নুবুলি "কবি শঙ্কৰ" বুলি সচেতন হৈ সগৌৰৱে ঘোষণা কৰিব পাৰে। শঙ্কৰদেৱৰ বাবে কাব্য চৰ্চা এক আকস্মিক বা কাকতালীয় ঘটনা নহয়। কবি শঙ্কৰৰ সম্পূৰ্ণ সজাগ, সচেতন মনৰ শৈল্পিক

২ নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ৬২

উপস্থাপনেই হ'ল তেওঁৰ কাব্য সমূহ। "পূৰ্বসূৰীসকলৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনো সাহিত্যৰ এটা মহৎ আদৰ্শ। শঙ্কৰদেৱে সেই আদৰ্শৰো উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি গৈছে।"[৩]

দ্বিতীয়তে, কবি শঙ্কৰদেৱ আত্মসচেতন যেনেদৰে আছিল তেনেদৰে আত্মসমালোচনা কৰাৰো সৎ সাহস আছিল। পূৰ্ব কবি মাধৱ কন্দলি সন্দৰ্ভত শঙ্কৰদেৱৰ ধাৰণা আছিল এনেধৰণৰ-

পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
বিৰচিলা পদে ৰামকথা
হস্তীৰ দেখিয়া লাদ শহা যেন ফাড়ে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

"অপ্ৰমাদী" কবি মাধৱ কন্দলিক হস্তী বুলি ভাবি, নিজক শহাৰ লগত তুলনা কৰি এফালে মাধৱ কন্দলিৰ সাগৰ সংকাশ প্ৰতিভাৰ স্বীকৃতি আনহাতে নিজৰ "বৈষ্ণৱ বিনয়ী" স্বভাৱৰো প্ৰকাশ ঘটাই থৈ গৈছে। একেদৰেই পীতাম্বৰ কবিকৃত ৰুক্মিণীহৰণৰ পদৰ প্ৰসঙ্গতে (বিলাপ কৰিয়া কান্দে মাই ৰুক্মিনী/ কোন অংগে খুন দেখি নাইলা যদুমনি।।) ধিক কবি কামসিক ধৰ্ম ধৰিবাৰ ইটো নোহে যোগ্যজন বুলি সমালোচনা কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। অৰ্থাৎ কবি হিচাপে, কাব্যগুণ, কাব্যৰ উদ্দেশ্য সম্পৰ্কে কবি শঙ্কৰদেৱ এশ শতাংশই সচেতন আছিল। এই সচেতনতাই তেওঁৰ কাব্যৰ বিষয়, ভাৱ, ৰূপ, ৰস সকলোৰে বুনিয়াদ। সেইবাবেই শঙ্কৰদেৱৰ কাব্য কেইবা শতিকা ধৰি পাঠকৰ আগ্ৰহৰ বিষয় হৈয়ে আহিছে।

তৃতীয়তে, কোনো সাহিত্যিকেই তেওঁৰ সময় আৰু সমাজৰ পৰা আঁতৰি থাকি সাহিত্য চৰ্চা নকৰে। সাহিত্যিকগৰাকীয়ে তেওঁৰ ৰচনাৰ মাজেদি যুগৰ ভাৱশক্তিক ধৰি ৰাখে। কবি শঙ্কৰদেৱে তেওঁৰ সময় (যোড়শ শতিকা) আৰু সমাজ (অসম, কামৰূপ, বেহাৰ) খনক আগত ৰাখি কাব্য চৰ্চা কৰিছিল। কৃষিজীৱী নিৰক্ষৰ চহা পাঠকৰ বাবে মনোগ্ৰাহী কাব্য ৰচনা কৰা "শঙ্কৰদেৱ কোনো বিলাসী সভা কবি নাছিল। সাহিত্য পাঠ বা ধৰ্মচৰ্চাৰ বাবে অৱসৰ পালেও তেওঁ আছিল প্ৰধানতঃ খেতিবাতি কৰি জীৱিকা নিৰ্বাহ কৰা অৱস্থাপন্ন গৃহস্থ"[৪] নিজে বাস কৰা পৃথিৱীখনৰ বাবেই কাব্যৰচনা কৰা শঙ্কৰদেৱৰ কাব্যই পাঠকৰ অন্তৰত ঠাই

৩ ৰামমল ঠাকুৰীয়া, পূৰ্বোল্লিখিত, পৃ.৫০
৪ হীৰেন গোহাঁই, *কীৰ্তন পুথিৰ ৰস বিচাৰ*, পৃ. ৬

পাইছিল। যাৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল - “ই (ৰুক্মিণী হৰণ কাব্য) শঙ্কৰদেৱৰ অমৃতময় লেখনিৰ অমৃতৰ ধাৰা অসমীয়া ল'ৰা বুঢ়া মতা তিৰোতা এই পুথিৰ গুণত মুগ্ধ। অসমীয়াৰ মুখে মুখে ৰুক্মিণীহৰণ পুথিৰ সুমধুৰ পদ। আনকি, অসমীয়া নিৰক্ষৰ তিৰোতা মানুহৰ মুখতো ইয়াৰ মধুৰ পদৰ মধুৰ সোৱাদ সততে লাগি আছে। অসমীয়া তিৰোতামানুহে কথাবাৰ্তা কওঁতে ৰুক্মিনীহৰণ পুথিৰ দুই চাৰি ফাকি পদ মাতি তেওঁৰ কথাত ‘তেল মাৰি’ তাক সুগন্ধ কৰে।”[৫] সাহিত্যিকৰ ৰচনা তেওঁৰ একান্ত ব্যক্তিগত সৃষ্টি হ'লেও পাঠকৰ আগ্ৰহ, আত্মীকৰণে স্ৰষ্টাৰ সৃষ্টিক (শঙ্কৰদেৱৰ কাব্য) মহীয়ান কৰি তোলে। এই অৰ্থতো শঙ্কৰদেৱৰ কাব্য সাৰ্থক, সফল সৃষ্টি বুলিব পাৰি।

চতুৰ্থতে, কবিতাৰ বিভিন্ন ৰূপ থাকে। “শঙ্কৰদেৱৰ কবিতা কাহিনীমূলক আৰু প্ৰায়বোৰ বৰ্ণনাই নাটকীয়া ছবি।”[৬] শঙ্কৰদেৱৰ কাব্যসমূহত সাধাৰণতে এটা কাহিনী থাকে। বিভিন্ন চৰিত্ৰই বিবিধ ঘটনা সংঘটিত কৰি সেই কাহিনীক এটা সুখপ্ৰদ পৰিণতিৰে (হৰিশ্চন্দ্ৰ শৈবা-ৰোহিতাশ্বৰ মিলন, কৃষ্ণ ৰুক্মিনীৰ বিয়া, অজামিলৰ, বলিৰ স্বৰ্গলাভ, কুৰুক্ষেত্ৰৰ সকলোৰে সমিলমিলেৰে মনৰ ভাৱ প্ৰকাশ) সমাপ্তি ঘটায়। শঙ্কৰদেৱৰ জীৱনৰ প্ৰথম খন কাব্য *হৰিশ্চন্দ্ৰ উপাখ্যান*লৈ লক্ষ্য কৰিলে দেখা যায় যে বিভিন্ন ধৰণৰ ঘটনাৰে কাব্যখন যেন নাটকীয়ত্বৰে ভৰা কাহিনী কবিতাহে। পত্নী-পুত্ৰৰ পৰিবেষ্টিত “পৃথিৱীতে সাৰোতৰ অযোধ্যা নগৰত” ৰজা হৰিশ্চন্দ্ৰই ৰাজসূয় যজ্ঞৰ আয়োজন কৰিছে। বিশ্বামিত্ৰৰ খং, হৰিশ্চন্দ্ৰৰ দান, বিশ্বামিত্ৰৰ বাবেই পত্নী শৈব্যা, পুত্ৰ ৰোহিতাশ্বৰ সৈতে হৰিশ্চন্দ্ৰৰ ৰাজ্যত্যাগ, ব্ৰাহ্মণৰ ওচৰত পত্নী-পুত্ৰৰ বিক্ৰয়, নিজকে চাণ্ডালৰ ওচৰত বিক্ৰী কৰা, পুত্ৰৰ মৃত্যুত অচিনাকী হৈ পৰা পত্নী-পুত্ৰৰ সৈতে মিলন, অযোধ্যাৰ প্ৰজাৰ সৈতে স্বৰ্গগমন, শেষত বশিষ্ঠ বিশ্বামিত্ৰৰ বক-শৰালিৰূপে যুঁজেৰে সামৰণি ঘটা হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যখনৰ প্ৰতিটো মুহূৰ্তই নাট্যোৎকণ্ঠৰে ভৰা। পৰৱৰ্তী প্ৰতিটো পৰিঘটনাৰ বাবেই পাঠক প্ৰস্তুত হৈ থাকিব লাগে। পূৰ্বানুমান কৰিব নোৱৰা প্ৰতিটো ঘটনাই পাঠকক উৎকণ্ঠী, আগ্ৰহী কৰি তোলে, এনেদৰে শঙ্কৰদেৱৰ প্ৰত্যেকখন কাব্যলৈ লক্ষ্য কৰিলে একেই উৎকণ্ঠা, একেই নাটকীয়ত্ব আৰু একেধৰণেৰেই পাঠক আগ্ৰহী হৈ থকা দেখিবলৈ পোৱা যায়। এয়া কবি শঙ্কৰদেৱৰ কাব্য নিৰ্মাণৰ সফলতা।

---

৫ সত্যকাম বৰঠাকুৰ, অজয় কুমাৰ ভট্টাচাৰ্য, পূৰ্বোল্লিখিত, পৃ.৬৬
৬ আনন্দ বৰমুদৈ, *শঙ্কৰদেৱ সংগ্ৰহণ আৰু আত্মীকৰণ*, পৃ.

পঞ্চমতে, নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰাৰ প্ৰসঙ্গত কবি শঙ্কৰদেৱ তথা শঙ্কৰদেৱৰ কবি মানস, কবি প্ৰতিভাৰো অধ্যয়নৰ আওতালৈ আহি পৰে। পাণ্ডিত্য আৰু প্ৰতিভাৰ সমতুলীয় যুগলবন্দী ঘটা শঙ্কৰদেৱৰ কবি সত্তাৰ প্ৰসংগত আনন্দ বৰমুদৈৰ মন্তব্য এনেধৰণৰ- "শঙ্কৰদেৱ অনুপম কাব্য প্ৰতিভাৰ গৰাকী হ'ব পৰা কাৰণে প্ৰয়োজন সাপেক্ষে একে কাহিনীকে স্বতস্ফূৰ্তভাৱে বিস্তৃত বা সংকুচিত কৰিব পাৰে।"[৭] মাৰ্কণ্ডেয় পুৰাণ, হৰিবংশ, ভাগৱতৰ মূল কাহিনীৰ পৰা নিজৰ প্ৰয়োজনীয় অংশ লৈ কাব্য ৰচনা কৰা শঙ্কৰদেৱে মূলৰ আনুগত্য স্বীকাৰ কৰিও লোকমনোৰঞ্জন কৰি, লোকচিত্তক আকৰ্ষণ কৰিব পৰাকৈ কাব্য ৰচনা কৰিছিল। শঙ্কৰদেৱৰ বিচক্ষণতা ইমান আছিল যে *ৰুক্মিণী হৰণৰ* একেটা বিষয় লৈ তেওঁ নাট আৰু কাব্য ৰূপ দিছিল। জীৱনৰ দ্বিতীয়খন কাব্য *ৰুক্মিণী হৰণ* যদি শঙ্কৰদেৱৰ জীৱনৰ সৰ্বজনপ্ৰিয়, সৰ্বজন সমাদৃত কাব্য তেনেহ'লে *ৰুক্মিণী হৰণ* নাটো কম জনপ্ৰিয় নাট নহয়। আনহাতে কলাগুণৰ বিচাৰতো *ৰুক্মিণী হৰণ* কাব্য আৰু *ৰুক্মিণী হৰণ* নাট নিৰ্বিবাদে উত্তীৰ্ণ বুলি সকলোৱে মানি লোৱা দেখা যায়।

ষষ্ঠতে, ষোড়শ শতিকাৰ অসমীয়া কবি শঙ্কৰদেৱৰ কাব্যৰ আধাৰ প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহ। মূলতঃ ভাগৱত, হৰিবংশ, মাৰ্কণ্ডেয়ৰ পুৰাণৰ পৰা স্বনিৰ্বাচিত অংশৰে তেওঁ কাব্য সমূহ ৰচনা কৰিছিল। সেইবাবেই বহুত সমালোচকে শঙ্কৰদেৱৰ কবিসত্তাৰ মৌলিকত্বক অস্বীকাৰ কৰিবও খোজে। এই প্ৰসঙ্গত নগেন শইকীয়াৰ মত এনেধৰণৰ -

শঙ্কৰদেৱক যদি বিষয়ৰ উৎসলৈ লক্ষ্য কৰি মৌলিক কবি নহয় বুলি কোৱা হয়, তেনেহ'লে শ্বেক্সপীয়েৰ আৰু চচাৰকো মৌলিক কবি বুলি ক'ব পৰা নাযায়। শঙ্কৰদেৱে বিষয় নিৰ্বাচন কৰোঁতেও তেওঁৰ উদ্দেশ্য আৰু লক্ষ্যৰ লগত খাপখোৱা অংশহে বাচনি কৰিছে, মূল বিষয়টোকে নিজৰ লক্ষ্য পূৰণ কৰিব পৰাকৈ তেওঁ ন-কৈ মনৰ চকুৰ আগত কল্পনা কৰি লৈছে আৰু সেই ৰূপহে তেওঁ কাব্যত শব্দৰে আঁকি উলিয়াইছে। তেওঁৰ কাব্য-নিৰ্মিতিৰ মৌলিকত্ব তেওঁৰ কল্পনা প্ৰতিভাৰ মাজত ফুঠি উঠিছে। যুদ্ধৰ বৰ্ণনাই হওক বা নিসৰ্গৰ নগৰৰ বৰ্ণনাই হওক বা চৰিত্ৰৰ বৰ্ণনাই হওক, এই সকলোতে কবি শঙ্কৰদেৱৰ নিজস্ব কল্পনা-প্ৰতিভাৰ পোহৰ সহজেই অনুমেয়।[৮]

৭ আনন্দ বৰমুদৈ, "কবি শংকৰদেৱ", অংশুমান দাসৰ *শংকৰদেৱৰ ভাষা আৰু সাহিত্য,* পৃ.১৬০
৮ নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ. ৬৩

শঙ্কৰদেৰৰ কবিসত্তাৰ প্ৰসঙ্গত নগেন শইকীয়াই এনেদৰে সকলোৰে সন্দেহ নিৰসন কৰি থৈ গৈছে। এই মতৰ সপক্ষে মন্তব্য ৰামমল ঠাকুৰীয়াৰ বক্তব্য হ'ল - "মৌলিকতা নতুন উদ্ভাৱনৰ ওপৰত নিৰ্ভৰ নকৰে, নিৰ্ভৰ কৰে উপস্থাপন কীৰ্তিতহে। আগতে থকা কথাত এটাও কিভাৱে লেখকে উপস্থাপন কৰিব পাৰিছে, তাৰ ওপৰতহে নিৰ্ভৰ কৰে লেখকৰ মৌলিকতা। সেইফালৰ পৰা ছেক্সপীয়েৰ যেনে মৌলিক, শঙ্কৰদেৱো তেনে মৌলিক।"[৯] দুয়োজন সমালোচকেই ছেক্সপীয়েৰ আৰু চছাৰৰ উদাহৰণ দাঙি ধৰি শঙ্কৰদেৰৰ কাব্যক বিষয়ৰ উৎসলৈ লক্ষ্য ৰাখিও উপস্থাপন তথা বিন্যাসৰ আধাৰত মৌলিক সৃষ্টি বুলি ক'ব খোজা দেখা যায়। বিষয় বিন্যাস, চৰিত্ৰ নিৰ্মাণ, লোকজীৱনৰ প্ৰকাশ, স্থানীয় ৰহণৰ প্ৰয়োগেৰে শঙ্কৰদেৰৰ কাব্য সমূহ অসমীয়া পাঠকৰ বাবে কবি শঙ্কৰদেৰৰ মৌলিক সৃষ্টিয়েই। অৱশ্যে শঙ্কৰদেৱে তেওঁৰ ৰচনা ৰীতিত চাৰিটা পদ্ধতিৰ প্ৰয়োগ কৰিছে - "গ্ৰহণ, বৰ্দ্ধন, সংযোজন আৰু সংমিশ্ৰণ। নিজৰ আদৰ্শৰ লগত মিল থকা কথাখিনি পোনে পোনে গ্ৰহণ কৰিছে। আদৰ্শৰ লগত নিমিলা কথাবোৰ সমূলি বৰ্জন কৰিছে , অনেক গ্ৰন্থত নিজা কথা সংযোজন কৰিছে আৰু অনেক গ্ৰন্থত বিভিন্ন গ্ৰন্থৰ সংমিশ্ৰণ ঘটাইছে।"[১০]

## ৪.৩.০. বৰ্ণনাৰ স্বাভাৱিকতা আৰু স্বচ্ছন্দতাৰ সৌন্দৰ্য ঃ

শঙ্কৰদেৰৰ কাব্যৰ নন্দনতত্ত্বৰ আধাৰত অধ্যয়নৰ প্ৰসঙ্গত কাব্যৰ বৰ্ণনাৰ স্বাভাৱিকতা বা স্বচ্ছন্দতা অন্য এক নন্দনতাত্ত্বিক দিশ বুলিব পাৰি। প্ৰত্যেকখন কাব্যই বহল পৰিসৰৰ হ'লেও প্ৰত্যেকখনৰ কাহিনীয়ে এক স্বাভাৱিক গতিৰে পৰিণতি, পূৰ্ণতা লাভ কৰিছে। প্ৰত্যেকখন কাব্যই ৰচকে ইমান স্বাভাৱিকভাৱে বৰ্ণনা কৰিছে যে এক জটিল তাত্ত্বিক, গভীৰ বিষয় নিৰক্ষৰ, সহজ, হোজা পাঠকৰ বাবে কোনোপধ্যেই দুৰ্বোধ্য, জটিল নহয়। *অমৃত মথনত* - স্বামীৰ দেখিয়া ভাৱ হাসন্ত পাৰ্ব্বতী মাৰ /চাপৰি মুখত কিনা বস্ত্ৰ দিয়া - এই অংশৰ বৰ্ণনাত ভগৱান বিষ্ণুৰ মোহিনীৰূপত বলিয়া হৈ পৰা ভগৱান শিৱ আৰু তেওঁৰ পত্নী পাৰ্বতীতকৈ পাঠকৰ বাবে এজন সাধাৰণ মানুহে

৯ ৰামমল ঠাকুৰীয়া, পূৰ্বোল্লিখিত, পৃ.৪২
১০ ৰামমল ঠাকুৰীয়া, উল্লিখিত, পৃ.৪২

পৰ নাৰীৰ ৰূপত মুগ্ধ হৈ নিজক পাহৰি যাওঁতে এগৰাকী নাৰী (যি গৰাকী তেওঁৰ পত্নীও) য়ে হাঁহিত ৰ'ব নোৱাৰা অৱস্থাৰ কথা বৰ্ণনা কৰিছে। বেছিকৈ হাঁহিলে, বিশেষকৈ মাইকী মানুহে মুখত কাপোৰ লৈয়ে চাপৰি পেলাই হাঁহে। সকলোৱে যেনেদৰে হাঁহে, পাৰ্বতীয়েও তেনেকৈয়ে হাঁহিছে, ইয়াত অস্বাভাৱিকতা মুঠেই নাই। ৰোহিতাশ্বৰ মৃত্যুত মাক শৈব্যাৰ কান্দোন, বলি-বিন্ধ্যাৱলীৰ সম্পৰ্ক, কুৰুক্ষেত্ৰত বসুদেৱ-দৈৱকী আৰু নন্দ-যশোদাৰ মিলন, অষ্টমহিষীৰ স্মৃতিৰ ৰোমন্থন আদি ঘটনাৰ স্বাভাৱিক, বৰ্ণনা, স্বচ্ছন্দ প্ৰৱাহেই পাঠকক কাব্যসমূহৰ ওচৰ চপাই নিয়ে। শঙ্কৰদেৱৰ আটাইতকৈ জনপ্ৰিয় কাব্য ৰুক্মিণীহৰণত বৰ্ণনাৰ সাৰল্য, স্বাভাৱিকতা তথা স্বচ্ছন্দ প্ৰবাহে কাব্যখনক শঙ্কৰদেৱৰ কাব্যসমূহৰ ভিতৰত সৰ্বাধিক সমাদৃত কৰি তুলিছে। শঙ্কৰদেৱে প্ৰয়োজনত বিস্তৃত কৰাৰ দৰে প্ৰয়োজনত অতি সংক্ষিপ্ত কৰাৰ কৌশলো জানিছিল। ৰুক্মিণী হৰণ কাব্যত কৈছে -

জয় নমো মাধৱ অব্যক্ত চক্ৰপাণি।
কৰিলা বিবাহ ৰুক্মিনীক হৰি আনি।।
মহাৰাজা সবক জিনিয়া ঘোৰ ৰণে।
শঙ্কৰে ৰচিলা পদ কৃষ্ণৰ চৰণে।।

"সেইজন মাধৱক নমস্কাৰ কৰো যিজন মাধৱে ঘোৰ ৰণৰ মাজত বিভিন্ন মহাৰাজক যুদ্ধত ঘটুৱাই ৰুক্মিণীক হৰি আনি বিবাহ কৰিলে। শ্ৰীকৃষ্ণক চৰণ চিন্তি শঙ্কৰে পদক ৰচনা কৰিলে।" মাত্ৰ চাৰিফাকি পদত শ্ৰীকৃষ্ণই সম্পূৰ্ণ কাহিনীটো, কি পৰিস্থিতিৰ মুখামুখি হ'ব লগা হৈছিল তাৰ বিৱৰণ আদিক অতি সহজভাৱে, সৰল ভাষাত, সাধাৰণ জনৰ বাবে শংকৰদেৱে চমৎকাৰকৈ বৰ্ণনা কৰিলে। বাহুল্য নাই, অলংকাৰ নাই, পৰিমিত ভাষাত; কম কথাত গভীৰ বিষয়, সহজ, স্বাভাৱিক বৰ্ণনা শঙ্কৰদেৱৰ কাব্যৰ বিশেষ সৌন্দৰ্য।

### ৪.৪.০. চৰিত্ৰৰ বৰ্ণনাৰ সৌন্দৰ্য ঃ

বৰ্ণনাৰ সৌন্দৰ্য শঙ্কৰদেৱৰ কাব্যৰ অন্য এক সৌন্দৰ্য। চৰিত্ৰৰ বৰ্ণনা, প্ৰাকৃতিক পৰিৱেশৰ বৰ্ণনা, যুদ্ধৰ বৰ্ণনা, অসমীয়া অলংকাৰৰ বৰ্ণনা, শব্দ প্ৰয়োগৰ সৌন্দৰ্য, লোক জীৱনৰ প্ৰকাশ আদি কাব্যৰ সৌন্দৰ্য সম্পৰ্কীয় আৰু বিভিন্ন দিশেৰেও নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্যক বিচাৰ কৰিব পাৰি।

শঙ্কৰদেৱৰ কাব্যসমূহত এটা কাহিনীয়ে পূৰ্ণতা লাভ কৰা দেখা যায় আৰু সেই কাহিনীয়ে পূৰ্ণতা লাভ কৰে কিছু সংখ্যক চৰিত্ৰৰ ক্ৰিয়া-কলাপৰ মাধ্যমেদি। মূলতঃ শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি ঘটনাই গতি লাভ কৰিলেও কৃষ্ণ চৰিত্ৰৰ মহত্ব, বিশালতা প্ৰকাশৰ বাবেই আৰু বহুবোৰ চৰিত্ৰৰ অৱতাৰণা কৰিছে। প্ৰত্যেকটো চৰিত্ৰই একোটা স্বতন্ত্ৰ, স্বয়ংসম্পূৰ্ণ চৰিত্ৰ হ'লেও কৃষ্ণৰ লগত কোনোবা ধৰণে হ'লেও সিবিলাক সংযুক্ত হৈ থাকেই। শ্ৰীকৃষ্ণৰ ভগৱান ৰূপ, অলৌকিকত্ব, ঐশ্বৰিকত্ব প্ৰকাশ কৰাই মুখ্য উদ্দেশ্য হ'লেও শঙ্কৰ কবিয়ে সৃষ্টি কৰা শ্ৰীকৃষ্ণ সাধাৰণজনৰ মাজৰে অথচ বিশেষজন। সেইবাবে অসমীয়া পাঠকৰ বাবে শঙ্কৰদেৱৰ কৃষ্ণজন অচিন দেশৰ অজানাজন নহয়। চকুৰে দেখা পৃথিৱীৰে, বহু পৰিমানে মানৱীয় গুণ সমৃদ্ধ শ্ৰীকৃষ্ণই ৰুক্মিণীক বিয়া পাতে, যুদ্ধ কৰে, বিষ্ণুৱে আনকি মোহিনী ৰূপো ধৰে, বটু হৈ ছলনা কৰে। কুৰুক্ষেত্ৰত তাত্বিক কথাও কয়। কৃষ্ণ, বিষ্ণুৰ এই সকলো ৰূপ, ক্ৰিয়াকলাপ অসমীয়া পাঠকৰ বাবে গভীৰ বিশ্বাস, আস্থাৰ বিষয়; সন্দেহ - অবিশ্বাসৰ বাবে কোনো আশংকাই নাই। তথাপিও কৃষ্ণৰ মহাত্ম্য প্ৰকাশৰ বাবেই বাকী যিবোৰ চৰিত্ৰ অৱতাৰণা কৰিছিল সেইবোৰ অসমীয়া পাঠকৰ বাবে তেনেই চিনাকী, নিজৰ আপোন চৰিত্ৰ হৈ পৰিছিল। দৰাচলতে, ভাগৱত, হৰিবংশ, পুৰাণ আধাৰিত বিষয়ৰ আধাৰত কাব্য ৰচনা কৰিলেও শঙ্কৰদেৱে যেন চৰিত্ৰবোৰ "অসমীয়াকৰণ" কৰি লৈছিল। প্ৰত্যেকটো চৰিত্ৰই অসমীয়া পাঠকে দেখি থকা, চাব বিচৰা পৃথিৱীখনৰে চৰিত্ৰ। লাগিলে হৰিশ্চন্দ্ৰৰ চণ্ডাল ৰূপ, বিষ্ণুৰ মোহিনী ৰূপ, কৃষ্ণৰ প্ৰেমিক ৰূপে, শৈব্যাৰ মাতৃ, ৰুক্মিণীৰ প্ৰেমিকা, বিন্ধাৱলীৰ পত্নী, শচীপ্ৰভাৰ মাতৃ ৰূপেই নহওঁক কিয় চৰিত্ৰৰ মানৱীয়কৰণ - মানৱসুলভ গুণৰ সমাৱেশে শঙ্কৰদেৱৰ কাব্যসমূহক নন্দনতত্ত্বৰ আধাৰত অধ্যয়নৰ প্ৰসঙ্গত বিচাৰ কৰাত সহায় কৰে।

পাঞ্চ বৰিষৰ আতি সুখৰ ছৱাল।
ক্ষুধায়ে পীড়িল আতি ভৈল লাল কাল
দুইৰো মুখ চায় কান্দে ক্ষুধা লাগে বুলি
আতেসে নৃপতি আতি মৰন্ত সমূলি।।

(হৰিশ্চন্দ্ৰ উপাখ্যান, ২১৫)

বিশ্বামিত্ৰৰ হাতত ৰাজ্যভাৰ দান কৰি ত্যাগী হৰিশ্চন্দ্ৰ পত্নী শৈব্যাৰ সৈতে বনবাস খাতিবলগীয়া

হোৱাত, ৰাজ আতিথ্যত লালিত পালিত পাঁচ বছৰীয়া পুত্ৰ ৰোহিতাশ্বৰ বাবে নতুন অথচ অনাহুত, অভাৱে ভৰা মুহূৰ্তৰ এনেদৰেই বৰ্ণনা কৰিছে শঙ্কৰদেৱে। ভোকাতুৰ সন্তানৰ মুখত অন্ন এটা দিব নোৱাৰাৰ অসহায় অৱস্থা সকলো পিতৃ-মাতৃৰ বাবে একেই। পাকচক্ৰত পৰি অযোধ্যা নগৰৰ ৰাজপাট হেৰুওৱা ৰজা হৰিশ্চন্দ্ৰ এই মুহূৰ্তত মাত্ৰ পাঁচ বছৰীয়া পুতেকৰ (ৰোহিতাশ্ব) পিতৃ। এই পদফাঁকিৰে শঙ্কৰদেৱে পিতৃ-মাতৃ সন্তানৰ মানৱীয় সম্পৰ্কক বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰিছে। চৰিত্ৰৰ এনেধৰণৰ উপস্থাপনে কাব্যৰ সৌন্দৰ্য বৃদ্ধিৰ সহায়ক হয়।

## ৪.৫.০. চৰিত্ৰৰ মাজৰ সম্পৰ্কৰ গভীৰতা বৰ্ণনাৰ সৌন্দৰ্য ঃ

শঙ্কৰদেৱৰ কাব্যসমূহত প্ৰায় শতাধিক চৰিত্ৰৰ সমাবেশ ঘটিছে। ৰজা-প্ৰজা-ৰাণী, মাতৃ-সন্তান, পতি-প্ৰেমিকা পত্নী, প্ৰেমিক-প্ৰেমিকা, পিতৃ-পুত্ৰ, যোদ্ধা-প্ৰতিযোদ্ধা, আজ্ঞাকাৰী-আজ্ঞাবাহী আদি বিভিন্ন ভূমিকাৰ চৰিত্ৰসমূহ সৃষ্টি কৰিছে। চৰিত্ৰৰ বিভিন্ন ভূমিকাৰ বৰ্ণনাইহে যে শঙ্কৰদেৱৰ কাব্যসমূহৰ সৌন্দৰ্য সৃষ্টি কৰিছে এনে নহয় বৰং প্ৰত্যেকটো চৰিত্ৰৰ আন্তঃ সম্পৰ্ক তথা সম্পৰ্কৰ গভীৰতাৰ বৰ্ণনাই শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্যত অনন্য মাত্ৰা দান কৰিছে।

হৰি হৰি প্ৰাণেশ্বৰী আপদৰ সইতৰি
মোহোৰ কণ্ঠৰ হেমহাৰ।
কোন সতে মোক এৰি থাকো মই প্ৰাণ ধৰি
মুখ্যপ্ৰাণ তইসি আমাৰ।

(হৰিশ্চন্দ্ৰ উপাখ্যান, ২৭৮)

কোন সতে মোক এৰি / থাকো মই কেনে কৰি - হৰিশ্চন্দ্ৰই শৈব্যাক কোৱা এই কথাষাৰেই হৰিশ্চন্দ্ৰ আৰু শৈব্যাৰ গভীৰ, আন্তৰিক সম্পৰ্কক সহজ ভাষাত চুটিকৈ বুজাই দিয়ে। এতেকে, দেখা যায় চৰিত্ৰৰ মানৱিক ৰূপত উপস্থাপনৰ দৰেই চৰিত্ৰসমূহৰ সম্পৰ্কৰ গভীৰতা বৰ্ণনাই শঙ্কৰদেৱৰ কাব্যসমূহক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। এইক্ষেত্ৰত *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যৰে অন্য এক উদাহৰণ হ'ল -

তোৰ শোকে দেহা দহে
মোৰ কি হৃদয় সহে

এহি বুলি কৰ মন্যু
হাতে মাৰ্জিলন্ত তনু।। ২২৯

সিঞ্চিল শিৰত জল।
দৈহা ভৈল অবিকল।।

### ৪.৬.০. নাৰী চৰিত্ৰ নিমাৰ্ণৰ সৌন্দৰ্য ঃ

নাৰী মনস্তত্ত্বৰ সুন্দৰ প্ৰকাশো শঙ্কৰদেৱৰ কাব্যৰ অন্য এক সুন্দৰ দিশ। *হৰিশ্চন্দ্ৰ উপাখ্যান, বলিছলন, অজামিল উপাখ্যান* পুৰুষ চৰিত্ৰৰ নামেৰে নামকৰণ কৰা কাব্য। *অমৃত মথন* ঘটনা আধাৰিত, *কুৰুক্ষেত্ৰ* স্থান আধাৰিত কাব্য। একমাত্ৰ *ৰুক্মিণী হৰণ* কাব্যহে ৰুক্মিণী নাম জড়িত কাব্য অৱশ্যে ৰুক্মিণীৰ লগত জড়িত 'হৰণ' ঘটনাহে এই কাব্যৰ মূল বিষয়; তথাপিও শঙ্কৰদেৱৰ কাব্যত নাৰী চৰিত্ৰৰ সজীৱ তথা সক্ৰিয় উপস্থিতি পৰিলক্ষিত হয়। শঙ্কৰদেৱৰ কাব্যসমূহত নাৰীক সাধাৰণতে এই কেইটা ভূমিকাতে দেখা যায় -

মাতৃৰূপত ঃ শৈব্যা, শশীপ্ৰভা, দেৱমাতা অদিতি, দৈৱকী।
শাহু ৰূপত ঃ দৈৱকী, শশীপ্ৰভা
প্ৰেমিকা ৰূপত ঃ ৰুক্মিণী
ভগ্নী ৰূপত ঃ ৰুক্মিনী
পত্নী ৰূপত ঃ শৈব্যা, বিন্ধ্যাৱলী, পাৰ্বতী, শ্ৰীকৃষ্ণৰ অষ্টমহিষী
সতিনী ৰূপত ঃ কৃষ্ণৰ অষ্ট মহিষী
বিয়নী ৰূপত ঃ শচীপ্ৰভা, দৈৱকী
ধাইৰ ৰূপত ঃ সুমালিনী
ছলনাময়ী নাৰী ৰূপ ঃ মোহিনী
তোলনীয়া মাতৃৰ ৰূপত ঃ যশোদা

শঙ্কৰদেৱে তেওঁৰ কাব্যসমূহত নাৰীৰ বিভিন্ন ৰূপৰ ভিতৰত মাতৃ ৰূপটোত সম্পূৰ্ণৰূপে মমতাময়ী,

সন্তানৰ হিতকামনাকাৰী তথা অভিভাৱিকা ৰূপত অঙ্কন কৰিছে। শঙ্কৰদেৱৰ জীৱনৰ প্ৰথমখন কাব্যত শৈব্যাৰ হৰিশ্চন্দ্ৰৰ পত্নী ৰূপতকৈ ৰোহিতাশ্বৰ মাতৃ-ৰূপটোহে অধিক মনোগ্ৰাহী। ৰাজ আতিথ্যত ডাঙৰ হোৱা পাঁচবছৰীয়া সন্তানক ভোকত খুদকন এটা মুখত দিবলৈ নাপাই কৰা হাঁহাঁকাৰ, বৃদ্ধ ব্ৰাহ্মণৰ ওচৰত বিক্ৰীৰ সময়ত শৈব্যাৰ প্ৰতিক্ৰিয়া (মাৰৰ পোৰৰ দেখাদেখি আজি যায়। চাওঁ মই নেত্ৰ ভৰি স্নেহৰ পুতাই। ৩১০) ৰোহিতাশ্ব পুত্ৰক সাপে খোটাত -

কাক গলে বান্ধি শুৱাইবো হাবিয়াসে
কাহাৰ চহিবো মুখ।
মোক কোনে আসি আই আই বুলি
পাসৰাইবে সবে দুখ।।

(হৰিশ্চন্দ্ৰ উপাখ্যান, ৩৬৪)

- বুলি কৰা বিলাপত মমতাময়ী মাতৃৰ সনাতন ৰূপটো প্ৰকাশ পাইছে। ঠিক তেনেদৰে ৰুক্মিণীহৰণ কাব্যত দায়িত্বসম্পন্না মাতৃৰ ভূমিকা পালন কৰি কন্যাদায়গ্ৰস্ত মাকৰ দায়িত্ব পালনেৰে শশীপ্ৰভাই মহাৰাজ পতিক সম্বোধন কৰিছে এনেদৰে -

একদিনা শশীপ্ৰভা ৰাজমহাদই।
ভীষ্মক স্বামীক হেন বুলিলন্ত গই।। ৩৫

ৰুক্মিণী জীয়াইৰ আসি ভৈল বোধমান।
যুড়িয়োক বৰ ৰাজা কৰা কন্যাদান। (ৰুক্মিণীহৰণ, ৩৬)

বিবাহযোগ্য জীয়েকৰ বিয়াৰ বন্দৰস্ত কৰা, দৰা বিচৰাৰ কথা গিৰিয়েকক সোঁৱৰাই দায়িত্ব পালন কৰা আনকি বিয়নী দৈৱকীক ৰুক্মিণীৰ প্ৰতি থকা নিজৰ মৰমৰ কথা কৈ শাহু দৈৱকীয়ো যাতে সোহাগিনী হয় তাৰেই কামনা কৰিছে ৰুক্মিণীৰ মাক শশীপ্ৰভাই।

একেদৰেই *বলিছলন*তো দেৱমাতা অদিতিৰ জৰিয়তে মাতৃ হৃদয়ৰ আকৃতি প্ৰকাশ পোৱা দেখা যায়। বলিৰ অত্যাচাৰত নাজল-নাথল হোৱা নিজৰ সন্তানসকলৰ দুৰৱস্থা দেখি অদিতিৰ মাতৃ হৃদয়ৰ

দুখ প্ৰকাশ পোৱাৰ লগতে সতিনীৰ প্ৰতি জ্বালাৰো প্ৰকাশ পোৱা দেখা যায় এনেদৰে -

সতিনীৰ পুত্ৰচয় আছে সৰে অভ্যুদয়

মোৰ জানা সবে গৈল বুবি। (বলি ছলন, ৮৫০)

আৰে দিতি সতিনীৰ মন ৰঙ্গ ভৈল। ৮৩১

হৰি হৰি ইন্দ্ৰ হাবিয়াসৰ পুতাই

কোনবিধি তোৰ হেন কৰিল বিলাই।

তোৰ নিদ্ৰা নাসে তুলি সুবৰ্ণ খাটত।

কোন শুতি থাকা আবে কেৰলে মাটিত।। (বলি ছলন, ৮৩২)

সেইদৰে সন্তানৰ মঙ্গল কামনাৰে স্বামী কশ্যপৰ দ্বাৰা অদিতিয়ে পয়োব্ৰত অনুষ্ঠান কৰি শ্ৰীহৰিক আৰাধিবলৈ নিৰ্দেশ দিওঁতে ‘বহু বিধ বাদ্য বাই বিযুঙক দুগ্ধে নোৱাই’ পয়োব্ৰত আৰম্ভ কৰিছিল।

কুৰুক্ষেত্ৰ কাব্যত নন্দ যশোদাৰ প্ৰীতি সাধিবাক প্ৰতি

কুৰুক্ষেত্ৰ তীৰ্যক কৰিলা কৃষ্ণে গতি।।

(কুৰুক্ষেত্ৰ কাব্য, ৪)

পালক পিতৃ-মাতৃ নন্দ-যশোদাৰ প্ৰীতি সাধিবাৰ বাবে অষ্টমহিষীৰ সৈতে কৃষ্ণ কুৰুক্ষেত্ৰলৈ যাওঁতে যশোদাৰ মাতৃ প্ৰেমৰ সৰ্ব্বোচ্চ প্ৰকাশ ঘটা দেখা যায়। নিজ গৰ্ভজাত নহ’লেও যশোদাৰ মাতৃপ্ৰেম অস্বীকাৰ, অৱজ্ঞাৰ বিষয় নহয়। সেয়ে কুৰুক্ষেত্ৰত কৃষ্ণক লগ পাওঁতে -

শিৰ শুঙ্গি পাইলা প্ৰীতি প্ৰসন্ন বদন।

মহা স্নেহে স্ৰৱে যশোদাৰ দুই স্তন।। (কুৰুক্ষেত্ৰ কাব্য, ৯০)

দৰাচলতে শঙ্কৰদেৱে শেষৰখন কাব্য কুৰুক্ষেত্ৰত সকলোৰে মিলনৰ ফলত যি আনন্দানুভূতি ওপজে তাৰ সমানেই প্ৰত্যেকটো নাৰী চৰিত্ৰৰ মহত্ত্ব, উদাৰতাই পাঠকক আনন্দ চকিত কৰিও তোলে। যশোদা-ৰোহিনী-দৈৱকীৰ প্ৰথম মিলনক শঙ্কৰ কবিয়ে বৰ্ণাইছে এনেদৰে -

জলৰ বেগত এক থান হোৱে ফেন।
ক্ষণিক থাকিয়া ক্ষণেকতে মিলে যেন।।
সেহিমত সংযোগ বিয়োগ সুহৃদৰ।
ঈশ্বৰৰ বশ্য কেহো নোহে স্বতন্তৰ।। (কুৰুক্ষেত্ৰ কাব্য, ৯৫)

কৃষ্ণই তেওঁলোকৰ সংযোগ সেঁতু, অথচ পৰস্পৰৰ সুদীৰ্ঘ সময় ধৰি সম্পৰ্কহীনতা “ঈশ্বৰ বশ্য”ৰ বিষয়। এনেধৰণৰ বিশ্বাসযোগ্য যুক্তিয়ে পৰস্পৰক বুজনি দিছে - কাৰোৰ প্ৰতি কোনো খেদ, অভিমান নাই। জটিল যেন সম্পৰ্কৰ সহজ মিলনৰ বৰ্ণনা শঙ্কৰদেৱৰ বিশেষ প্ৰতিভা বুলিবই লাগিব। একেদৰেই ৰুক্মিণী, সত্যভামা, জাম্বৱতী আদি কৃষ্ণৱ পত্নীসকলৰ দ্বাৰা দৈৱকীৰ দৰেই যশোদা-ৰোহিনীক সন্মান প্ৰদৰ্শনো উচ্চস্তৰৰ সমাজৰ বহল মনৰ পৰিচায়ক হোৱাৰ লগতে প্ৰতিটো নাৰী চৰিত্ৰই প্ৰতিনিধিত্ব কৰা সমাজৰ সংস্কাৰ কামী মানসিকতাক প্ৰতিফলিত কৰে। দৈৱকীয়েও যশোদাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছে এনেদৰে -

নাহি তোমাথেৰ পৰে মহাহিতকাৰী।
তোমাৰ মৈত্ৰীক পাসৰিবে কোন নাৰী।।
ইন্দ্ৰৰ সম্পদ যদি দেওঁ প্ৰতিদিন।
তথাপিতো শুজা নাযায় উপকাৰ ঋণ।।

(কুৰুক্ষেত্ৰ কাব্য, ১০২)

শঙ্কৰদেৱৰ নাৰী চৰিত্ৰ নিৰ্মাণৰ আটাইতকৈ বেছি কুশলতা দেখা যায় *কুৰুক্ষেত্ৰ* কাব্যত। *কুৰুক্ষেত্ৰ* কাব্যতে সৰ্বাধিক সংখ্যক নাৰী চৰিত্ৰই ভুমুকি মাৰিছে। কবি সকলো চৰিত্ৰৰে প্ৰতি সমানেই মনোযোগী। যশোদা, দৈৱকীৰ পৰা ৰুক্মিণী, জাম্বৱন্তী চৰিত্ৰই সমানে গুৰুত্বপূৰ্ণ কৰি শঙ্কৰদেৱে কাব্যত স্থান দিছে। কুৰুক্ষেত্ৰ কাব্যত দেখা যায় - “কৃষ্ণ কথা শুনিতে উৎসুক” হৈ সকলো নাৰীয়ে দ্ৰৌপদীৰ জৰিয়তে কৃষ্ণৱ অষ্টপত্নীৰ মনৰ ভু লৈছে। সকলো পত্নীয়ে কৃষ্ণ জড়িত জীৱনৰ বৃতান্ত বৰ্ণনা কৰি গৈছে - সকলোৱে উৎকণ্ঠাৰে আগ্ৰহী হৈ কাহিনীবোৰ শুনি গৈছে - সতিনীৰ জ্বালা / সপত্নী বিদ্বেষ কাৰোৰেই মনত নাই। যেন বহুদিনৰ মূৰত পুৰণি বান্ধৱী একেলগ হৈ তেওঁলোকৰ নিজৰ গিৰিয়েকৰ লগত বিবাহৰ বৰ্ণনাহে দি গৈছে। কিন্তু তেওঁলোকৰ ব্যৱহাৰৰ পৰা এনেকুৱা নালাগে যে তেওঁলোকৰ সকলোৱে স্বামী

একেজনেই কৃষ্ণ। নিখুঁট, সাৱলীল বৰ্ণনাৰে নাৰী চৰিত্ৰকেইটা জীৱন্ত, সজীৱ ৰূপত উপস্থাপন কৰিছে। মাত্ৰ প্ৰতি গৰাকীয়েই নিজৰ বিয়াৰ বৰ্ণনাৰ শেষত যৌতুকৰ প্ৰসঙ্গ উল্লেখেৰে সামৰণিত কয় -

আন নবাঞ্ছোহো মনে স্বামী পাৰে ধৰি।
জন্মে জন্মে হুইবো তান চৰণ কিঙ্কৰী।।২৫৩

আন নবাঞ্ছোহো সখী কহো সত্য কৰি।
জন্মে দন্মে হুইবো তান চৰণ কিঙ্কৰী।।২৩৮

কাব্যখনত মাতৃৰ মমতাৰ চূড়ান্ত প্ৰকাশ ঘটিছে যশোদাৰ এইখিনি বৰ্ণনাত -

বালক চৰিত্ৰচয় সুমৰি সুমৰি।
কান্দে দুয়ো প্ৰাণীৰ লোতক পৰৈ ঝৰি।। ৪৩০

শুঙ্গে নাকে যেন স্নেহে চেলেক জিহ্বাই।
ফোকাৰে নিশ্বাস মুখ পদ্ম চাই চাই।।

(কুৰুক্ষেত্ৰ কাব্য, ৪৩১)

মাতৃৰ মমতাময়ী ৰূপৰ দৰে পত্নীৰ পতিব্ৰতা গুণৰ বৰ্ণনাৰেও শঙ্কৰদেৱে কাব্য সৌন্দৰ্যশালী কৰি থৈ গৈছে। *হৰিশ্চন্দ্ৰ উপাখ্যান*ত হৰিশ্চন্দ্ৰই শৈব্যাৰ দৰে সাদৰী পত্নীৰ প্ৰশংসা কৰিছে এনেদৰে -

তই হেন ভাৰ্য্যা পাইলো কত জন্ম ভাগে।
তোহোৰ কথাক আৰে কি কৰিবে লাগে।। ৪৩১

কৰ্ম্ম সময়ত তোক মন্ত্ৰী বুলি লেখি।
ৰঙ্গৰ বোলাত যেন তই প্ৰাণসখী।।
স্নেহৰ প্ৰস্তাৱে তই মাতৃ যেন ঠান।
শয়ন বেলাত তই দাসীৰ সমান।।      (হৰিশ্চন্দ্ৰ উপাখ্যান, ৪৩২)

এগৰাকী পুৰুষৰ দৃষ্টিত পত্নীৰ ভূমিকা, দায়িত্ব আৰু প্ৰস্থিতিৰ সুন্দৰ উদাহৰণ এনেদৰেই শঙ্কৰদেৱে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যত বৰ্ণনা কৰিছে।

একেদৰেই *অমৃত মথন*ত যেতিয়া প্ৰথমফালে বাসৱৰ দ্বাৰা বলি নিধন হৈছিল (শুক্ৰাচাৰ্যৰ দ্বাৰা সঞ্জীৱনী মন্ত্ৰৰ বলত পুনৰ্জীৱন লাভ নকৰা অৱস্থাত) তেতিয়া বলি পত্নী বিন্ধ্যাৱলীৰ দুখৰ বৰ্ণনা কৰিছে এনেদৰে -

যুদ্ধত পৰিল বলি          কান্দে পাচে বিন্ধ্যাৱলী
দশোদিশ দেখে অন্ধকাৰ
নিতালে ভূমিত পৰি          মূৰ্চ্চা গৈল পটেশ্বৰী
নাৰীগনে কৰে হাহাকাৰ।

(অমৃত মথন, ৬২৭)

আনকি "অগৰু চন্দন কাষ্ঠে চিতা সাজিয়োক ঝান্টে- স্বামীৰ লগতে এৰো প্ৰাণ।" বুলি সহমৰণ কৰিব খোজা বিন্ধাৱলীৰ চৰম ত্যাগ আৰু দৈত্যগুৰুৰ সঞ্জীৱনীৰ বলত মৃত স্বামীক ঘূৰাই পোৱাৰ বিনিময়ত প্ৰকাশ কৰা কৃতজ্ঞতাৰ মাজেদি শঙ্কৰদেৱে পত্নীৰ প্ৰেম, ত্যাগ, কৃতজ্ঞতা সকলোখিনি সুন্দৰভাৱে প্ৰকাশ কৰিছে। শঙ্কৰদেৱৰ ভাষাত -

দিলা বাপ স্বামীদান          আৰ কিবা সাধো মান
দুনাই উপজিলা দৈত্যেশ্বৰ।
হেন জানো পাইলো প্ৰাণ          সুজিবে নুৰাৰো ঋণ
দাসী হুয়া সহস্ৰ বৎসৰ।।

(অমৃত মথন, ৬৩৬)

বিষ্ণুৰ মোহিনী ৰূপ (অমৃত মথন)ৰ বৰ্ণনাও সৌন্দৰ্যৰে ভৰা। বান্ধিলা উজ্জ্বল কৰি খোপা কেশ তুলিৰ পৰা গাৱৰ সুৰভি গন্ধে মোহে দিশপাশ (৩৪৩ পদ) লৈকে বিস্তৃত লক্ষ্মীৰ ৰূপৰ বৰ্ণনা সুন্দৰী নাৰী ৰূপৰ চমৎকাৰী বৰ্ণনা। ৰূপহী সেই নাৰী (মোহিনী ৰূপী বিষ্ণু) এফালে যেনেদৰে ৰূপৰ আকৰ ঠিক তেনেদৰে কেৱল দেৱতাক অমৃত পান কৰাবৰ বাবে এনেদৰে ক'ব পৰাকৈও প্ৰত্যুৎপন্নমতি তথা দূৰদৃষ্টিসম্পন্না —

দেৱতাক চাই পাছে দিলা হাওবাৰ।
দৈত্যক বোলন্ত দুয়ো পবিত্র স্বভাৱ।।
ইটো দিব্য অমৃতক ভুঞ্জিয়ো নিয়মে।
শাৰী হয়া বসা সবে দেওঁ অনুক্রমে।।

(অমৃত মথন, ৩৬১)

একেদৰেই শঙ্কৰদেৱৰ সৰ্বাধিক জনপ্রিয় কাব্য *ৰুক্মিণী হৰণ*ৰ নাম ভূমিকাৰ 'ৰুক্মিণী' শঙ্কৰদেৱৰ নাৰী চৰিত্র নিৰ্মাণৰ ভিতৰত অতি মোহনীয় চৰিত্র। চন্দ্রতো অধিক জ্বলে বদনৰ কান্তি - এনেহেন ৰুক্মিণীৰ মন কৃষ্ণমুখী। যিহেতু 'দেশান্তৰী' মুখে কৃষ্ণৰ 'চৰিত্র গুণ' শুনি বেদনিধিৰ অজ্ঞাত বতৰা পঠাইছে এইবুলি -

সোপোনে সচিতে মঞিঃ তোমাকেসে চিন্তি আছোঁ
তুমি মোৰ হৈবা প্রাণনাথ।।

(ৰুক্মিণী হৰণ, ১০০)

"প্রাণনাথ" বুলি বৰি লোৱা কৃষ্ণক শিশুপাল, ৰুক্মবীৰৰ বাধাই কেতিয়াও ৰুক্মিণীৰ মন, মানসৰ পৰা আঁতৰাব নোৱাৰে। সেয়ে বাস্তৱত কৃষ্ণক পাই 'চিত্রৰ পুতলি যেন নভাসয় আখি'। কৃষ্ণৰ ৰথত উঠি গুচি যোৱা ৰুক্মিণীক ককায়েকে বাধা দিওঁতে ৰুক্মবীৰ আৰু কৃষ্ণৰ যুদ্ধত "ৰাখা ৰাখা প্রভু আৰ নলৈয়োক প্রাণ। আঞ্চল পাতিয়া মাগো দিয়া ভাতৃদান। (৫৭৩) বুলি ভগ্নীপ্রেমৰো স্বাক্ষৰ / উদাহৰণ দাঙি ধৰিছে। ৰুক্মিণী শাহুৱেক দৈৱকীৰ দ্বাৰাও উচ্চ প্রশংসিত। শঙ্কৰদেৱৰ ভাষাত -

ৰুক্মিণীক দেখি কৰে দৈৱকী হৰিষ।
সাফল বোহাৰী পাইলো পুত্রৰ সদৃশ।। ৬৬৬

কন্যাসন্তান হিচাপে, প্রেমিকা হিচাপে, পত্নী হিচাপে, বোৱাৰী হিচাপে আনকি ভগ্নী হিচাপেও শঙ্কৰদেৱে ৰুক্মিণীক আকৰ্ষণীয় ৰূপত বৰ্ণনা কৰিছে। *ৰুক্মিণী হৰণ* কাব্যতে দৈৱকী শচীপ্রভাৰ পৰস্পৰক দিয়া সান্ত্বনা বুজনিয়ে সমব্যথী নাৰীৰ মনৰ অপ্রকাশ্য দিশ পৰিস্ফুট কৰিছে। নিজৰ জীৱন সদৃশ জীয়েক জনীক অন্য এগৰাকী মাকৰ বাবে জীয়েক সদৃশ হোৱাটো বিচাৰিয়েই বিয়নী দৈৱকীক শচীপ্রভাই কৈছে-

পাঞ্চপুত্ৰ মাজে জীউ এক খানি
সম্যক মোহোৰ জীউ।
কাতৰ কৰো ভালদৰে পালিবা বিহানী
তোমাৰেহে ভৈল জীউ।।

কন্যা সন্তানক উপযুক্ত পাত্ৰত অৰ্পণ কৰিও মাকৰ অন্তৰাত্মাৰ হাঁহাঁকাৰ প্ৰকাশ পোৱা শচীপ্ৰভাৰ এই উক্তিৰ প্ৰত্যুত্তৰত দৈৱকীয়ে কোৱা বাক্যযাৰিও এগৰাকী বিয়নীৰ আন গৰাকীৰ প্ৰতি কম গভীৰ আশ্বাসবাণী নহয় -

তোমাৰেসে জী জমাই তোমাৰেসে ঘৰ
তোমৰা আপোনা হুইয়া আমি হুইবো পৰ।। (ৰুক্মিণী হৰণ, ৬৮৮)

সুমালিনী ধাইৰ কোলাত ডাঙৰ হোৱা ৰুক্মিণীৰ প্ৰতি ধাই মাকৰো মৰম কম নহয়। সেয়ে কৃষ্ণ জোঁৱাইৰ প্ৰতি সুমালিনীৰো ক'বলগীয়া আছে। চকুৰ আগতে বিয়া হোৱা ৰুক্মীণী সুমালিনীৰ বাবে সদায় শিশুমতি। সেয়ে কৃষ্ণক কৈছিল -

কত তপসাই পাইলে তোমাক
ইহ পৰলোকে গতি।
দিনে দশ দোষ ক্ষমিবা আপুনি
ৰুক্মিণীও শিশুমতি।। (ৰুক্মিণী হৰণ, ৭৮৭)

এনেদৰে দৈৱকী, যশোদা ৰুক্মিণীৰ পৰা সুমালিনীধাইলৈকে ... শঙ্কৰদেৱে কাব্যত বিভিন্ন নাৰী চৰিত্ৰৰ সন্নিৱেশ ঘটাইছে। নাৰীনাং হৃদয়স্য দেৱাঃ ন জানন্তিঃ কুৰ্ত্তো মনুষ্যঃ বুলি ধাৰণা প্ৰচলিত থাকিলেও পুৰুষ কবি শঙ্কৰদেৱে নাৰী চৰিত্ৰ, নাৰীৰ ৰূপ নাৰীৰ মনোজগতৰ বৰ্ণনাত সম্পূৰ্ণ সফল হৈছে বুলিব পাৰি।

নাৰী চৰিত্ৰ বৰ্ণনা, সৌন্দৰ্যৰ বৰ্ণনাৰ লগতে শঙ্কৰদেৱৰ কাব্যত নাৰীকেন্দ্ৰিক সমাজখনো সুন্দৰকৈ প্ৰকাশিত হোৱা দেখা যায়। যৌতুকৰ সঘন উল্লেখেৰে পুৰণি অসমীয়া সমাজৰ চিত্ৰ ফুটাই তুলিছে।

ব্ৰহ্মাৰ আদেশ শুনি নৃপতি ভীষ্মক।
মনত হৰিষে ৰুক্মৰথ কুমৰক।। ৭৩৯

বোলন্ত যৌতুক কৰা এক থান।
ৰুক্মিণীক সালঙ্কৃতা কৰি জান্তে আন।।
শুনি ৰুক্মৰথ অভ্যন্তৰে পয়োসাৰ।
লৈলেক যৌতুক দিব্য বস্ত্ৰ অলংকাৰ।। (ৰুক্মিণী হৰণ, ১)

লগতে যৌতুক দিলা স্যমন্তক মনি
আগবঢ়াই বাদ্যৰ ভাগুে দগুে ছত্ৰ ছানি।। (কুৰুক্ষেত্ৰ কাব্য, ২১৫)

দিব্য আভৰণ ৰত্নময় অলংকাৰ।
যতেক যৌতুক দিলা সীমা নাহি তাৰ।। (কুৰুক্ষেত্ৰ কাব্য, ২৩৬)

শঙ্কৰদেৱৰ কাব্যত নাৰী চৰিত্ৰৰ প্ৰসঙ্গত সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল শঙ্কৰদেৱৰ কাব্যৰ নাৰী স্বাধীন, (নিজৰ সিদ্ধান্ত নিজে ল'ব পৰা) মমতাময়ী আৰু সকলোৰে হিতাকাংক্ষী। সেয়ে মুক্ত সমাজত মুক্তভাৱে বিচৰণ কৰা শঙ্কৰদেৱৰ মোহনীয় নাৰী চৰিত্ৰ ৰুক্মিণীৰ বিয়াৰ বিপৰ্যয়ৰ সময়ত ৰুক্মবীৰৰ "বিকৃত, কুবেশ" ৰূপ দেখি ভগ্নী ৰুক্মিণীৰ যে মনত দুখ লাগিব পাৰে সেই বিষয়েও বৰজনা বলভদ্ৰ সজাগ সচেতন।

ৰুক্মিণীৰ দুখ দেখি বলাইৰ কাৰুণ
কৃষ্ণক বোলন্ত তুমি কিনো নিদাৰুণ।।

সেয়ে বৰজনাক হৈও সদ্য পৰিণিতা ভাই বোৱাৰীক প্ৰবোধ দিছে এনেদৰে -

ৰুক্মিণীক বলভদ্ৰে প্ৰবোধিলা মাতি।
এৰা মাৰ কষ্ট মোক নকৰিবা আন্তি।। (৬০৪)

কাব্যকেইখনৰ ক'তো নাৰী নিৰ্যাতনৰ উদাহৰণ নাথাকিলেও "হাউৰে পাপিষ্ঠী" বুলি শৈব্যাক পিটি পিটি বিশ্বামিত্ৰই লৈ যোৱা এটা মুহূৰ্তও আছে। *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ কাহিনীৰ প্ৰয়োজনতে শৈব্যাৰ এনেধৰণৰ শাস্তি জৰুৰী আছিল বুলিয়েই হয়তো কবিয়ে এই ঘটনা সংযোজন কৰিছিল আৰু এই বৰ্ণনাই কাব্যৰ কৰুণ ৰস গাঢ় কৰিছে।

### ৪.৭.০. শব্দ আৰু ভাষা প্ৰয়োগৰ সৌন্দৰ্য ঃ

"প্ৰতি গৰাকী সাহিত্যিকেই দৰাচলতে একো একোজন ভাষাবিদ সাহিত্যিকগৰাকীয়ে যিটো ভাষাৰ সাহিত্য সৃষ্টি কৰে, সেই ভাষাটো ধ্বনি, ৰূপ বা শব্দ, বাক্য আৰু ইবোৰৰ প্ৰয়োগ এই সকলো দিশতে তেওঁৰ অদ্ভুত দক্ষতা থাকে। শঙ্কৰদেৱৰ মাতৃভাষা আছিল ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা পঞ্চদশ-যোড়শ শতিকাৰ অসমত প্ৰচলিত কথিত ভাষা। এই ভাষাটোত শঙ্কৰদেৱৰ আছিল অসাধাৰণ দক্ষতা। সেই দক্ষতাৰ বলতে ব্যাকৰণ অভিধান একো নোহোৱাকৈয়ে শঙ্কৰদেৱে তেওঁৰ বিপুল সাহিত্যৰাজিৰ জৰিয়তে মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ আৰ্হিৰে এটা শক্তিশালী সাহিত্যিক ভাষাৰ সৃষ্টি কৰিলে।"[11]

গুৰু মহেন্দ্ৰ কন্দলিৰ টোলৰ পাঠ্যক্ৰমত সংস্কৃত ভাষা অধ্যয়ন কৰা শঙ্কৰদেৱে তেওঁৰ সমুখৰ সহজ, হোজা, নিৰক্ষৰ পাঠকক আগত ৰাখিয়েই সৰল চিনাকী শব্দৰ সাজ ব্যৱহাৰ কৰিছিল।

"জোঁৱায়ে নিলেও নিয়া, যমে নিলেও নিয়া।" প্ৰবচনৰ চলন্তি থকা অসমত কৃষ্ণ জোঁৱাই হ'লেও যমদূত আৰু ৰুক্মবীৰৰ প্ৰসঙ্গত সেইজনেই যমদূতৰ প্ৰতীক সদৃশ। সেয়ে কৈছিল - "কৃষ্ণ জমাই যমদূত হুয়া তোক নিলে কৃত/মোক শোকসাগৰে পেলাই।" তেনেদৰে অবুজন পুত্ৰ ৰুক্মবীৰক মৰমেৰে বুজাই কৈছে - মাধৱক বাপু তই বিৰোধ নকৰা অবুজন পুতেকে কিজানি 'বাপু' বুলি সম্বোধন কৰি মৰমেৰে মাতিলেই মানি ল'ব! পিতৃ-মাতৃ আৰু সন্তানৰ সম্পৰ্কৰ এনে সুন্দৰ প্ৰকাশ কৰি থৈ গৈছে শঙ্কৰদেৱে। অৱশ্যে একেজন ৰুক্মবীৰকে পৰৱৰ্তী সময়ত ক'ব লগা হৈছে -

আমাৰ বংশত তই ভৈলি ধূমকেতু।
গোত্ৰ কুটুম্বৰ সুখ নাহি তোৰ হেতু।। (ৰুক্মিণী হৰণ, ৫০০)

পৰি আছে যেন দান্ত ভগা ঢোণ্ডা সাপ। (ৰুক্মিণী হৰণ, ৫৬৮)

"বাপু ৰুক্মবীৰৰ বংশৰ ধূমকেতু", দান্ত ভগা ঢোণ্ডা সাপ লৈ সলনিয়ে দৰাচলতে শঙ্কৰদেৱৰ শব্দ প্ৰয়োগৰ সৌন্দৰ্য আৰু চাতুৰ্যকে সুচায়। শঙ্কৰদেৱে পৰিস্থিতি অনুসৰি, চৰিত্ৰৰ মৰ্যাদা অনুসাৰে কাব্যত চৰিত্ৰবোৰৰ মুখত ভাষা দিছিল। আনকি কেতিয়াবা পাকচক্ৰত গালি পৰাৰ দৰে অৱস্থা হ'লেও সি

১১ লীলাৱতী শইকীয়া বৰা "শংকৰদেৱৰ সাহিত্যৰ ভাষা", অংশুমান দাসৰ *শংকৰদেৱৰ ভাষা আৰু সাহিত্য*, পৃ. ১৩

একেবাৰে অশ্ৰাব্য হৈ পৰা নাই। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে - "ৰুক্মিণী পাঁচো ভাইৰ মৰমৰ ভনীয়েক তথাপি ৰুক্মিণীয়ে কৃষ্ণৰ সৈতে তেওঁক বিয়া নিদি তেওঁক ঘৃণাৰ পাত্ৰ শিশুপালৰ সৈতে বিয়া দিব খোজাত তেওঁৰ খং উঠি মনে মনে ককায়েকৰ আৰু শিশুপালৰ প্ৰতি unparliamentary ভাষা প্ৰয়োগ কৰা আৰু গালি পৰাটোও আচৰিত নহয়নে?"[১২]

অৰ্থাৎ ভাই নোহে সিটো পৰম চাণ্ডাল, "জ্যেষ্ঠ ভাই নোহে সাতশত্ৰুতো আগল" আদি বেজবৰুৱাৰ ভাষাত অসাংবিধানিক (unparliamentary) শব্দৰ প্ৰয়োগতো শঙ্কৰদেৱে চমৎকাৰীত্ব দেখুৱাই থৈ গৈছে। "ৰুক্মিণী হৰণত থকা শিশুপাল আৰু ৰুক্মবীৰৰ গালিবোৰ আৰু কৃষ্ণৰ উত্তৰবোৰে সাধাৰণত ইমান লোকৰঞ্জক যে সেইবোৰ সকলোৰে মুখে মুখে।"[১৩] গালি সাধাৰণ পাঠকৰ বাবে লোকৰঞ্জক আৰু স্মৃতিগ্ৰাহ্য বিষয় হিচাপে পৰিগণিত কৰোৱাটো শঙ্কৰদেৱৰ বাবে কৃতিত্বৰে পৰিচায়ক। অমৃত মন্থনত বিষ্ণুৰ মোহিনী ৰূপ, বলিছলনত অপ্সৰাৱতীৰ বৰ্ণনা, হৰিশ্চন্দ্ৰত পুত্ৰ শোকৰ বিলাপৰ দৰেই ৰুক্মিণীহৰণত গালিৰ মাজেদিও সৌন্দৰ্যৰ সন্ধান লাভ কৰাটো শঙ্কৰদেৱৰ শব্দ প্ৰয়োগত কুশলতাৰ বিষয় বুলিব পাৰি।

অসম তথা অসমীয়াৰ জীৱন-ধাৰাৰ সকলো দিশৰ বৰ্ণনাই শঙ্কৰদেৱৰ কাব্যত পোৱা যায়। *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ দান-দক্ষিণা, পত্নী-পুত্ৰৰ দুভোৰ্গ, পুত্ৰৰ মৃত্যু, *ৰুক্মিণী হৰণ*ত পাৰিবাৰিক সম্পৰ্ক-সংঘাত, যুদ্ধ, হৰণ, বিয়া *অমৃত মথন*ত দেৱাসুৰৰ মৈত্ৰী তথা শত্ৰুতা, মোহিনীৰ ছলনা, শিৱৰ বিপৰ্যয়, *বলিছলন*ত প্ৰতাৰণা, বিন্ধ্যাৱলীৰ শোক, অদিতিৰ দুখ, দুচিন্তা, *অজামিল উপাখ্যান*ত বৈপৰীত্যৰ বৰ্ণনাৰে সুন্দৰৰ সন্ধান, *কুৰুক্ষেত্ৰ*ত জৈৱিক পিতৃ-মাতৃ আৰু পোষ্টা পিতৃ-মাতৃৰ সম্বন্ধবাচক শব্দ, জাতি-ব্যৱসায়, আ-অলংকাৰ, খাদ্য, বাদ্যযন্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ, গালি-শপনি, বুজোৱা শব্দ, সংখ্যাবাচক শব্দাদিৰ যথাবিহিত তথা সুন্দৰ ব্যৱহাৰেৰে কাব্যসমূহ সৌন্দৰ্যময় কৰি তুলিছিল।

শঙ্কৰদেৱৰ ভাষা সন্দৰ্ভত হীৰেন গোহাঁইৰ মন্তব্য হ'ল এনেধৰণৰ - "খাইলন্ত, গৈলন্ত, ভৈল, আউৰ, কৰিয়া, বুলিলা আদি আজিকালি অপ্ৰচলিত নাইবা সেইসময়তো কথ্য ভাষাতো বিৰল শব্দৰ

---

১২ নগেন শইকীয়া, *বেজবৰুৱাৰ ৰচনাৱলী*, পৃ.৭৭

১৩ সত্যকাম বৰঠাকুৰ, অজয় কুমাৰ ভট্টাচাৰ্য, পূৰ্বোল্লিখিত, পৃ.৮১

ব্যৱহাৰ সত্ত্বেও শঙ্কৰদেৱৰ ভাষাৰ জুমুঠিটো আছিল নিভাঁজ থলুৱা।"[১৪] নিভাঁজ, অকৃত্রিম, থলুৱা হোৱা বাবেই শঙ্কৰদেৱৰ কাব্যই সকলো সময়ৰ সকলো মানুহকে স্পর্শ কৰিব পাৰে।

পাশ্চাত্যৰ কবি, সমালোচক কোলেৰিজে কবিতাৰ সংজ্ঞা দিছিল এনেদৰে উৎকৃষ্ট শব্দৰপাজিৰ সুবিন্যস্ত বিন্যাসেই কবিতা। এনেদৰে প্রাচ্যৰ আলংকাৰিক ভামহৰ মতে শব্দার্থৌ সহিতৌ কাব্যম। কোলেৰিজৰ উৎকৃষ্ট শব্দৰ আৰু ভামহৰ 'শব্দার্থৌ'ৰ সার্থক প্রকাশ ঘটিছে শঙ্কৰদেৱৰ কাব্যসমূহত। উপযুক্ত শব্দৰ উপযুক্ত ব্যৱহাৰৰ বাবেই শঙ্কৰদেৱৰ কাব্যত শব্দই সৌন্দর্য সৃষ্টি কৰিছে। অৱশ্যেই "কাহিনীৰ প্রয়োজন অনুসাৰে নাটকীয় ভাৱে ভাষাৰ সুৰ (tone) পৰিৱর্তন কৰিব পৰা ক্ষমতা স্বচ্ছন্দ কবিত্বৰ প্রকাশ।"[১৫] পদ (৮+৬), ছবি (৬+৮+১০) , দুলড়ী (৬+৬+৮) আদি শব্দ নির্দিষ্ট ছন্দ বন্ধত আবদ্ধ হ'লেও একেফাঁকি পদেই বিষয়ৰ বর্ণনা কৰে অর্থাৎ কাহিনীক গতি দিয়ে, চৰিত্রৰ মনোজগত প্রকাশক সংলাপ হয়, সমাজ জীৱনক প্রতিফলিত কৰে আনকি ৰচকৰ জীৱন দর্শনৰো প্রকাশক হয়। কবি শঙ্কৰৰ কাব্যৰচনাৰ সময়ত, ক্ষেত্রত প্রতিবন্ধকতা, প্রতিকূলতা বহুত বেছি আছিল অথচ শঙ্কৰদেৱে সকলোবোৰ হেলাৰঙে অতিক্রম কৰি সেই সময়ৰ বাবে সমসাময়িক হৈও "শঙ্কৰদেৱ আমাৰ সমসাময়িক আৰু সমসাময়িক হ'ব পৰাটো তেওঁৰ মহত্ব।"[১৬]

শঙ্কৰদেৱৰ প্রত্যেকখন কাব্যতে এটা কাহিনীৰ বর্ণনা থাকে। স্বাভাৱিকতে কাব্যৰ পৰিসৰো যথেষ্ট বহল। সেইবাবেই শতাধিক পদত সিবিলাক বিন্যস্ত হৈ থাকে।

"এইবোৰ বাক্যৰ অন্যতম বৈশিষ্ট্য হ'ল সিহঁতৰ অর্থৰ ধাৰাবাহিকতা বা run-on চৰিত্র। একো একোটা বাক্যত অর্থৰ সমাপ্তি নঘটি সি পৰৱর্তী বাক্যলৈ বিয়পি যায়, শ্রোতাৰ মনোযোগৰ প্রবাহ সি ৰক্ষা কৰে আৰু শেষত সামৰি-সুতৰি এটা বিন্দুত অর্থ সম্পূর্ণ কৰে।"[১৭] কীর্তন পুথিৰ ৰস বিচাৰত হীৰেন গোহাঁইৰ এই মন্তব্যক শঙ্কৰদেৱৰ কাব্যৰ প্রসঙ্গতো প্রাসঙ্গিক বুলি ধৰি লৈ এই মতৰ সাপেক্ষে উদাহৰণ দাঙি ধৰিব পাৰি এনেদৰে -

১৪ হীৰেন গোহাঁই , পূর্বোল্লিখিত, পৃ.৬
১৫ হীৰেন গোহাঁই , উল্লোখিত, পৃ. ৬
১৬ আনন্দ বৰমুদৈ, পূর্বোল্লিখিত, পৃ. ২১
১৭ হীৰেন গোহাঁই, পূর্বোল্লিখিত, পৃ. ৭

মোহোৰ পুতাই কোনে লৈয়া যায়

গৰ্ভত জালিয়া জুই।

হৰি হৰি বিধি কতনো মাৰস

মোক শোক মেলে খুই।।

ৰোহিতাশ্ব বাপ তোহোৰ সন্তাপ

কৈকোন গৈলে এড়াওঁ।

দয়াৰ কুমৰ আমাক সুমৰ

লগে যমপুৰ যাওঁ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৩৬৩)

শঙ্কৰদেৱৰ কাব্যত ভাষাৰ সৌন্দৰ্যৰ প্ৰসঙ্গত সাঙ্গীতিক মূৰ্চ্ছনাৰ কথাটোও আহি পৰে। কাব্যৰ প্ৰতিলিপিকৰণৰ অসুবিধা যথেষ্ট আছিল; তাৰ লগে লগে নিৰক্ষৰ পাঠকৰ সহজেই বোধগম্য হোৱাৰ লগতে মনত থাকিবও লাগিব। সেয়ে শঙ্কৰদেৱৰ কাব্য সমূহত সম্ভৱতঃ সচেতনভাৱেই সাঙ্গীতিক মূৰ্চ্ছনা আহি পৰিছিল। পঠনযোগ্যতা, শ্ৰুতিমাধুৰ্য তথা স্মৰণযোগ্যতা থাকিবলৈ হ'লে কাব্য সাঙ্গীতিক গুণ বিশিষ্ট হ'ব লাগিবই। কাৰ্লাইলে যাৰ বাবে কবিতাক 'musical thought' বুলি অভিহিত কৰিছে।

অসমীয়া ফকৰা-যোজনা, পটন্তৰ প্ৰৱচনৰ সুপ্ৰয়োগ শংকৰদেৱৰ কাব্যৰ ভাষাৰ সৌন্দৰ্যৰ অন্য এটা শক্তিশালী কাৰক।

সিংহ এৰি শূকৰক ভজে কোন প্ৰাণী।

দুগ্ধ এৰি কোনজনে পিয়ে মাছো পানী (ৰুক্মিণী হৰণ, ৯২)

- মৃগৰ মধ্যত যেন প্ৰমত্ত কেশৰী। (ৰুক্মিণী হৰণ, ২২৯)

- পৰৰ শ্ৰাদ্ধত কেনে জান দিব লাগে। (ৰুক্মিণী হৰণ, ২৩২)

- শুনিয়া যেন জোকৰ মুখত দিলা চূণ। (ৰুক্মিণী হৰণ, ২৩৬)

- যেন ঢোৰা কাকে লৈয়া যায় সোন্দাকল। (ৰুক্মিণী হৰণ, ৫১৪)

লীলায়ে মাৰন্ত যেন উজানৰ মাছ।
যাক নামাৰিয়া হাতে তাক মাৰিম ভাতে।। (অমৃত মথন)

আকাশী চৰগ মাথাত পৰিল। (হৰিশ্চন্দ্ৰ উপাখ্যান)

## ৪.৮.০ জীৱনমুখী দৃষ্টিভংগীৰ বৰ্ণনাৰ সৌন্দৰ্য ঃ

জীৱন মুখিতা তথা জীৱনমুখী দৃষ্টিভংগী দানে শংকৰদেৱৰ কাব্যক সুন্দৰতা দান কৰিছে। শঙ্কৰদেৱৰ কাব্যসমূহত জীৱনৰ সকলো দিশেই প্ৰকাশ পাইছে। ইহলোকৰ বৰ্ণনাৰ পাৰলৌকিক সুখৰ সন্ধান দিব বিচৰা শঙ্কৰদেৱৰ কাব্যত চৰিত্ৰৰ দৃষ্টিভংগী জীৱনমুখী। সুখ-শোক, জয়-পৰাজয়, প্ৰাপ্তি-অপ্ৰাপ্তি, ভোক-ভোগ, সৌন্দৰ্য-কৰ্দযৰ যথাযথ প্ৰতিচ্ছবিয়ে ইহলোকৰ এখন সঁচা ছবি দাঙি ধৰে। 'পলায়নবাদীতা'ৰ অনুপস্থিতিৰ বাবেই কাব্যসমূহত বহুক্ষেত্ৰত বহিঃসংঘাতৰ বৰ্ণনা দেখা যায়। যুদ্ধত মৃত্যু বা মৃত্যুসম যন্ত্ৰণা পাইছে কিন্তু কোনেও জীৱনৰ পৰা পলায়ন কৰা নাই। আনকি হৰিশ্চন্দ্ৰ-শৈব্যাৰ পুত্ৰৰ লগত চিতাত সহমৰণৰ প্ৰস্তুতি সন্তান হেৰুওৱা পিতৃ-মাতৃৰ শোকৰ চূড়ান্ত বহিঃপ্ৰকাশহে বুলিব পাৰি। শঙ্কৰদেৱৰ কাব্যত সমান্তৰালভাৱে দুটা জীৱনৰ প্ৰকাশ ঘটা দেখা যায় - ইহলৌকিক আৰু পাৰলৌকিক। ইহলোকৰ বৰ্ণনাৰে পাৰলৌকিক পৃথিৱীৰ সন্ধান দিবলৈ যত্ন কৰা শঙ্কৰদেৱৰ কাব্যত ইহলৌকিক জীৱন তথা জীৱনমুখী দৃষ্টিভংগীৰ প্ৰকাশেও সৌন্দৰ্য সৃষ্টি কৰিছে। শঙ্কৰদেৱৰ জীৱনৰ প্ৰথম কাব্য *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ হৰিশ্চন্দ্ৰৰ ৰজা হিচাপে ভূমিকা, পতি-পিতৃৰ ভূমিকাৰে ইহলোকৰ ৰজাৰ জীৱন, পত্নী পুত্ৰৰে ভৰা সংসাৰ এখনৰ ছবি দাঙি ধৰে। *ৰুক্মিণী হৰণ* কাব্যতো দেখা যায় - শিশুপালৰ ইঙ্গিত কন্যাক কৃষ্ণই হৰণ কৰাৰ ফলত ওপজা ক্ৰোধ, ৰুক্মবীৰৰ ভনীয়েকক উঠা খং, প্ৰতিবাদ, কৃষ্ণক আক্ৰমণ আদি সকলোবোৰে সাধাৰণ মানুহে জীয়াই থকা জীৱনৰে চিত্ৰ দাঙি ধৰে। কাব্যসমূহৰ চৰিত্ৰৰ জীৱনলৈ দুখ, যন্ত্ৰণা, কাৰুণ্য নামি আহে অথচ চৰিত্ৰবোৰে জীৱনৰ পৰা পলায়নো কৰা নাই। এনেদৰে শঙ্কৰদেৱৰ কাব্যত জীৱন কেন্দ্ৰিক দৃষ্টিভংগীৰ প্ৰকাশে কাব্যসমূহ সৌন্দৰ্যশালী কৰাৰ লগতে পাঠক, শ্ৰোতাৰো ওচৰ চপাই নিছে।

## ৪.৯.০ যুদ্ধ বৰ্ণনাৰ সৌন্দৰ্য ঃ

প্ৰত্যেক ব্যক্তিৰ লেখক সত্তা গঢ়ি উঠাৰ অন্তৰালত তেওঁৰ পৃষ্ঠভূমিয়েও ক্ৰিয়া কৰে। "শঙ্কৰদেৱ কোনো বিলাসী সভাকবি নাছিল। সাহিত্য পাঠ বা ধৰ্ম চৰ্চাৰ বাবে অৱসৰ পালেও তেওঁ আছিল প্ৰধানতঃ খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰা অৱস্থাপন্ন গৃহস্থ।"[১৮] সেইবাবেই শঙ্কৰদেৱে তেওঁৰ পাঠকক সকলো ধৰণেৰে সন্তুষ্টি, আনন্দ দান কৰিব বিচাৰিছিল। যুদ্ধৰ বৰ্ণনা, প্ৰকৃতি বৰ্ণনা, নগৰ বৰ্ণনা চৰিত্ৰৰ ৰূপৰ বৰ্ণনাৰে কাব্যত সৌন্দৰ্য সৃষ্টি কৰিছিল লগতে পাঠককো আনন্দ দান কৰিছিল। যুদ্ধ বিগ্ৰহ ভালপোৱা পাঠকে তেওঁৰ কাব্য পাঠৰ জৰিয়তে বীৰ ৰসৰ আস্বাদ ল'ব পাৰিছিল। গোটেই কেইখন কাব্যতে বীৰৰস থকা বাবে যুদ্ধৰ বৰ্ণনা শঙ্কৰদেৱৰ কাব্যত বহু পৰিমানে দেখা যায়। আচলতে, যুদ্ধৰ বৰ্ণনা অবিহনে কোনো কাব্যই সম্পূৰ্ণ নহয়।[১৯] "শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম মূলতঃ অহিংসবাদী যদিও শঙ্কৰদেৱৰ সাহিত্যৰাজি কিন্তু যুদ্ধ-বিগ্ৰহ বিবৰ্জিত নহয়। বৰং ধৰ্মগ্ৰন্থ হিচাবে শঙ্কৰদেৱৰ গ্ৰন্থৰাজিত যুদ্ধ-বিগ্ৰহৰ পৰিমান অধিক বুলিয়েই ক'ব পাৰি। তেওঁৰ ৰচিত বেছিভাগ গ্ৰন্থতে প্ৰচুৰ যুদ্ধ-বিগ্ৰহ আছে। সেই যুদ্ধবোৰক তিনিভাগত বিভক্ত কৰিব পাৰি - বাক যুদ্ধ, মল্লযুদ্ধ আৰু অস্ত্ৰযুদ্ধ।"[২০] অৱশ্যে চৰিত্ৰৰ মনোজগতৰ দ্বন্দ্ব বা সংঘাততকৈ চৰিত্ৰৰ বহিঃ সংঘাত বা যুদ্ধৰহে অধিক বৰ্ণনা দেখা যায়। *ৰুক্মিণী হৰণ* কাব্যত শিশুপালৰ লগত কৃষ্ণৰ যুদ্ধৰ উপৰি বলভদ্ৰ-জৰাসন্ধ, শ্ৰীকৃষ্ণ-ৰুক্মিণী, *অমৃত মথন*ত অমৃত পানৰ পৰা বঞ্চিত দানৱ আৰু দেৱতাৰ যুদ্ধ, শঙ্কৰ-জম্বসুৰৰ যুদ্ধ, শুম্ভ-নিশুম্ভৰ লগত ভদ্ৰকালীৰ যুদ্ধ, ইন্দ্ৰ আৰু বলিৰ যুদ্ধ, *বলিছলন*ত বামনৰ বিৰুদ্ধে দৈত্যসৰৰ যুদ্ধ আদি দেৱতা আৰু দানৱৰ চিৰন্তন যুদ্ধৰ বৰ্ণনা দেখা যায়। আনকি *হৰিশ্চন্দ্ৰ উপাখ্যান*ত য'ত দুটা চৰিত্ৰৰ যুদ্ধৰ বৰ্ণনাৰ প্ৰয়োজন তাতো আনকি কাব্যখনৰ একেবাৰে শেষৰ অংশলৈ বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ বক (বিশ্বামিত্ৰ) আৰু শৰালি (বশিষ্ঠ) হৈ পৰস্পৰ যুদ্ধত অৱতীৰ্ণ হয়। বক-শৰালিৰ এই যুদ্ধৰ বৰ্ণনা কৰিছে এইদৰে -

---

১৮ হীৰেন গোহাঁই , পূৰ্বোল্লিখিত, পৃ. ৯

১৯ B.K. Barua "Sankardeva : His Poetical Works", Banikanta Kakati's *Aspects of Early Assamese Literature*, p.90

২০ ৰামলাল ঠাকুৰীয়া, পূৰ্বোল্লিখিত, পৃ. ১১২

শৰালি বশিষ্ঠ ভৈলা বিশ্বামিত বক
ঠোঁট গোট মেলি ঢুকি পাৰন্ত স্বৰ্গক
হামিতে গৰ্ভক দেখি পাতাল সমান
দুহান্তৰ শৰীৰৰ শুনিয়ো প্ৰমাণ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৫৪৬)

মূল বিষয়ৰ লগত অবিচ্ছেদ্য সম্পৰ্ক নথকা এই বক-শৰালিৰ মাটি-পানী বিয়পি লগা যুদ্ধৰ বৰ্ণনাতো কবিয়ে নৈপুন্য দেখুৱাবলৈ সক্ষম হৈছে। সমশক্তিমান চৰাই দুটাৰ যুদ্ধৰ বৰ্ণনা কবিয়ে অতি স্বাভাৱিক আৰু ৰসোত্তীৰ্ণ তথা বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰিছে। শঙ্কৰদেৱে যুদ্ধৰ বৰ্ণনাৰ প্ৰসঙ্গত স্বাভাৱিকতো সম্পূৰ্ণৰূপে ৰক্ষা কৰিছে। সকলোবোৰ যুদ্ধৰ আৰম্ভণি কথাৰ কটাকটিৰে হয়, শাৰীৰিক হতাহতি হয় আৰু তাৰপাছত বিভিন্ন ধৰণৰ অস্ত্ৰেৰে আঘাত-প্ৰত্যাঘাত চলে।

*অমৃত মথন*ৰ দেৱতা আৰু দানৱৰ যুদ্ধৰ বৰ্ণনাই (৪০৩ ৰ পৰা ৫০৪ পদলৈ প্ৰায় এশটা পদত কৰা এই যুদ্ধৰ বৰ্ণনাই) শঙ্কৰদেৱৰ কাব্যৰ আটাইতকৈ দীঘল যুদ্ধৰ বৰ্ণনা। শঙ্কৰদেৱৰ কাব্যত বশিষ্ঠ-বিশ্বামিত্ৰৰ বক-শৰালি ৰূপী যুদ্ধ (৫১৩ সংখ্যক পদৰ পৰা কাব্যৰ একেবাৰে শেষলৈ) *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ মূল বিষয়ৰ লগত প্ৰয়োজনাতিৰিক্ত সংযোজন বুলি ভাবিব পাৰি।

শঙ্কৰদেৱৰ প্ৰথম কাব্য *হৰিশ্চন্দ্ৰ উপাখ্যান*ত বশিষ্ঠ-বিশ্বামিত্ৰৰ বাকযুদ্ধৰ আৰম্ভণি হৈছে এনেদৰে-

শুন অৰে বিশ্বামিত্ৰ অধম দুৰ্জ্জন।
মোৰ যজমানক কৰিলি তই ছন্ন।।
বৃত্তিচ্ছেদ কৰিলি প্ৰাণত দিলি হাত।
থাক ব্ৰহ্মদণ্ডে কৰো তোৰ কন্ধপাত।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৫৩১)

বাকযুদ্ধৰ পাছত লাখুটি যুদ্ধ (থাক্ থিক্ কৰিয়া দণ্ডত দণ্ড পৰো), ঘটিযুদ্ধ (দণ্ড ভাঙ্গি গৈলা দেখি কমণ্ডলু ধৰি), তাৰপিছত বশিষ্ঠ-বিশ্বামিত্ৰৰ হতাহতি যুদ্ধ আৰম্ভ কৰিলে (আন্দোলা আন্দুলি কৰৈ হাতে হাতে ধৰি)। এনেদৰে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যৰ প্ৰসঙ্গত দেখা যায় যে সমুখ সমৰত প্ৰবৃত্ত দুজনে সাধাৰণতে নিজৰ অস্ত্ৰবোৰ এফালৰ পৰা ব্যৱহাৰ কৰে। দুজন ঋষিৰ হাতত থাকিব পৰা সামগ্ৰী হ'ল, লাখুটি, কমণ্ডলু বা একেবাৰে শেষত মল্লযুদ্ধ। গতিকে শঙ্কৰদেৱে তেওঁৰ প্ৰথম কাব্যত যুদ্ধৰ চমকপ্ৰদ বৰ্ণনাৰে সৌন্দৰ্য সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

*ৰুক্মিণী হৰণ*ৰ মাধুৰ্য আৰু সৌন্দৰ্য অসমীয়া পাঠকে কেৱলে কৃষ্ণ-ৰুক্মিণীৰ প্ৰণয়, বিবাহৰ মাজতে বিচাৰি নাপায়; *ৰুক্মিণী হৰণ*ৰ সৌন্দৰ্য আনকি যুদ্ধৰ বৰ্ণনাৰ মাজতো বিচাৰি পায়। বেজবৰুৱাৰ ভাষাতে "*ৰুক্মিণী হৰণ*ত থকা শিশুপাল আৰু ৰুক্মিণীৰ গালিবোৰ আৰু কৃষ্ণৰ উত্তৰবোৰ সাধাৰণতে ইমান লোকৰঞ্জক যে সেইবোৰ সকলোৰে মুখেমুখে।"[২১]

শিশুপালে কৃষ্ণক কৈছে -

শুনৰে যাদৱ কালকূট অনাচাৰী -
চুৰি কৰি নেস মোৰ বিবাহৰ নাৰী
স্বভাৱতে যদুবংশী নাৰীত লম্পট
সবাৰো উপৰি কৃষ্ণ তই ভৈলি ঘট।।

শিশুপালে কৃষ্ণৰ বংশত ধৰি, বংশৰ চৰিত্ৰত ধৰি আক্ৰমন কৰাৰ পিছত স্বাভাৱিকতে কৃষ্ণৰ আক্ৰমনলৈ সাজু হ'বই লাগিব। এনেদৰে যুদ্ধৰ আৰম্ভণি কৰোৱাত বাক শক্তিক শঙ্কৰদেৱে সুন্দৰকৈ ব্যৱহাৰ কৰি থৈ গৈছে। তেনেদৰে কৃষ্ণ-ৰুক্মিণীৰ যুদ্ধৰ প্ৰসঙ্গৰ বৰ্ণনা দেখা যায় এনেদৰে -

মাধৱক লাগি আতি তাৰ ভৈল খঙ্গ।
ৰথ হন্তে জাম্প দিয়া নামিল কুমৰ।
মুণ্ড জকাৰিয়া বীৰে গৰ্জিলা বিস্তৰ।।

(ৰুক্মিণী হৰণ, ৫৬২)

কৃষ্ণ-ৰুক্মীৰ যুদ্ধৰ পৰিণতিত ৰুক্মীৰ দুৰৱস্থা বৰ্ণনাত শঙ্কৰদেৱে নৈপুন্য দেখুৱাইছে। কৃষ্ণৰ বীৰত্ব প্ৰদৰ্শনেৰে ৰুক্মীৰ বিকৃত অৱস্থাৰ বৰ্ণনাৰে হাস্যৰস সৃষ্টিত কবি সম্পূৰ্ণ সফল হৈছে।

ৰুক্মীক দেখিলা গৈয়া বিকৃত কুবেশ।
গোৱিন্দে বিগুটি চাঞ্চিলন্ত গুম্ফকেশ।।
কৰিলা লাঞ্চনা কৃষ্ণে কালি চূৰ্ণ চুই।
পৰি আছে ৰুক্মী বীৰ অধোমুখ হুই।। (ৰুক্মিণী হৰণ, ৫৯৯)

---

২১ সত্যকাম বৰঠাকুৰ, অজয় কুমাৰ ভট্টাচাৰ্য, পূৰ্বোল্লিখিত, পৃ.৮১

শঙ্কৰদেৱে কাব্যসমূহত যুদ্ধৰ বৰ্ণনা এনে বিশ্বাসযোগ্য আৰু স্বাভাৱিক ৰূপত কৰিছে যে পাঠকে যুদ্ধৰ বিভীষিকাৰ মাজতো কিবা এক সৌন্দৰ্য বিচাৰি পায়। যুদ্ধই যাতনা দিয়ে, বীৰ ৰসৰ প্ৰকাশ ঘটায়, তথাপিও পাঠকে যুদ্ধৰ সেই বীৰত্ব বা বীৰত্বৰ বৰ্ণনাত আ্যাদিত হয়। সেইবাবে শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্য বৃদ্ধি কৰি পাঠকক আনন্দিত কৰাৰ প্ৰসঙ্গত যুদ্ধৰ বৰ্ণনা এক শক্তিশালী কাৰক বুলিব পাৰি। অন্যধৰণেৰে, যুদ্ধৰ চমকপ্ৰদী বৰ্ণনাই শঙ্কৰদেৱৰ কাব্যত সৌন্দৰ্যৰ সঞ্চাৰ কৰিছে।

## ৪.১০.০ প্ৰকৃতিৰ ৰূপ বৰ্ণনাৰ সৌন্দৰ্য ঃ

প্ৰকৃতিৰ ৰূপ বৰ্ণনা কৰাটো সকলো কবিৰে কাব্যৰ এটা সাধাৰণ বিষয়। প্ৰকৃতি কবিসকলৰ দ্বাৰা উপেক্ষিত নহয় যদিও প্ৰকৃতিৰ ৰূপ বৰ্ণনাই কবিসকলৰ একমাত্ৰ উদ্দেশ্য নহয়। মানুহ আৰু প্ৰকৃতিৰ নিবিড়, অবিচ্ছেদ্য সম্পৰ্কৰ দৰেই কাব্যৰ প্ৰকৃতি আৰু পাঠক(ৰচককো পাঠক বুলি ধৰিব পাৰি) ৰ সম্পৰ্ক অবিচ্ছেদ্য। সেয়ে প্ৰায় সকলো সাহিত্যিকৰে কাব্যত প্ৰকৃতিয়ে এটা বিশিষ্ট স্থান লাভ কৰা দেখা যায়। অৱশ্যে প্ৰকৃতি মানে চৰাই, ফুল-ফলৰ নাম উল্লেখেৰে বৰ্ণনাধৰ্মী ৰচনা নহয়। প্ৰকৃতি এক সত্তা, অন্তৰৰ গভীৰ উপলব্ধিৰে সেই সত্তাক উপলব্ধি কৰি সাধাৰণ পাঠকৰ চকুত প্ৰকৃতিৰ বৈচিত্ৰ্য আৰু অনিন্দ্যসুন্দৰ ৰূপ দাঙি ধৰাৰ ক্ষেত্ৰত শঙ্কৰ কবিয়ে সাফল্য লাভ কৰিছে। ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে 'প্ৰবন্ধ'ৰ 'প্ৰকৃতি আৰু শঙ্কৰদেৱ' শীৰ্ষক লেখাত উল্লেখ কৰিছে যে "প্ৰকৃতিৰ প্ৰতি শ্ৰীমন্ত শঙ্কৰৰ দৃষ্টিভংগী ৰোমাণ্টিক, বৈজ্ঞানিক বা ব্যৱহাৰিক নহৈ বৰং গভীৰতম অৰ্থৰ ধৰ্মীয় আৰু দাৰ্শনিক ঃ 'যেই যিবা চাৰে পাৱ বৃক্ষত সকল' অৰ্থাৎ সৰগ (দিব্য উপবন) - নৰক (এ ভৱ গহন বন) দুয়ো জগতৰ বাৰ্তাবাহী জীৱনৰ এটা যেন প্ৰহেলিকাময় ৰূপৰ সন্ধান তেখেতৰ প্ৰাকৃতিক বৰ্ণনাৰ বৈশিষ্ট্য।"[২২] অসমৰ শ্ৰেষ্ঠ দাৰ্শনিক শঙ্কৰদেৱ যিহেতু নৱবৈষ্ণৱ ধৰ্মৰো প্ৰৱক্তা আছিল সেয়ে স্বাভাৱিকতে শঙ্কৰদেৱৰ দৃষ্টিভংগী দাৰ্শনিক আৰু ধৰ্মীয় প্ৰভাৱযুক্ত হ'ব পাৰে। তথাপিও প্ৰকৃতিৰ প্ৰসঙ্গত দেখা যায় শঙ্কৰদেৱৰ কাব্যত প্ৰকৃতিৰ উজ্জ্বলতম দিশটোহে অধিক ভাস্বৰ হৈ উঠিছে।

---

২২ ৰঞ্জিত কুমাৰ দেৱগোস্বামী, *প্ৰবন্ধ*, পৃ. ৪৩

শঙ্কৰদেৱে তেওঁৰ কাব্যত প্ৰকৃতিক ব্যৱহাৰ কৰা নাই। বৰং প্ৰকৃতিৰ অপৰূপ ৰূপ লাৱন্যৰ সুন্দৰ বৰ্ণনাৰে সৌন্দৰ্যৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে অমৃত মথনত শিৱৰ বিষ্ণুৰ ৰূপ মোহিনী ৰূপ চাবলৈ মন যোৱাৰ সময়ত যি মায়া-উপবনৰ বৰ্ণনা কৰিছিল সেই মায়া উপবনে শিৱৰ মোহিনীৰূপ দৰ্শনৰে "বিমোহিত অৱস্থা" হোৱাৰ ক্ষেত্ৰত অনুঘটকৰ দৰে ক্ৰিয়া কৰিছিল। "মহা উপবন" আৰু ত্ৰিনয়নে সেই উপবনত দেখা "দিব্য কন্যা" পৰস্পৰ সম্পৰ্কযুক্ত। মহা উপবনৰ সৌন্দৰ্যই উদ্দীপক হৈ কন্যাক আলম্বন কৰি শিৱ হেন যোগীৰো মনৰ পৰিৱৰ্তন ঘটাইছিল। উপবনৰ সৌন্দৰ্য শঙ্কৰদেৱৰ ভাষাত আছিল এনেধৰণৰ -

পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফলফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান।।
শিৰীষ সেউতী তমাল মালতী
পাৰিজাত যুতি জাই।
বকুল বন্দুলী আছে ফুলি ফুলি
তাৰ সীমা সংখ্যা নাই।। ৫৫৬

বৈদুৰ্য্যৰ বাট স্ফটিকৰ ঘাট
মৰকট খাটখৱি
যত দিব্য পক্ষী ফল ফুল ভক্তি
কাঢ়য় সুস্বৰ ৰাৱ।
কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয়াৰ বাৱ।।

(পদ ৬৭০)

ফুল-ফল, চৰাই-সঙ্গীত সকলোৱে সমন্বয়ৰ প্ৰকৃতিৰ সুন্দৰ বৰ্ণনাৰে সৌন্দৰ্য সৃষ্টি কৰিছে। শঙ্কৰদেৱৰ

মৌলিক সৃষ্টি মায়া উপবনৰ প্ৰকৃতি বৰ্ণনাৰ প্ৰসঙ্গত প্ৰবন্ধত উল্লেখ আছে এনেদৰে - "এটি মনোগ্ৰাহী লেখাত কবি অজিৎ বৰুৱাই শঙ্কৰদেৱৰ এই অলৌকিক উদ্যানৰ লক্ষনীয় বৈশিষ্ট্য এটিলৈ আঙুলিয়াইছিল এইদৰে - এই উদ্যানত জাৰকালি ফুলা আৰু জহকালি ফুলা সকলো ফুলেই একেলগে আছে। যেনেকৈ ধৰ্ম-দাৰ্শনিকসকলৰ কল্পনাত ত্ৰিকাল - অৰ্থাৎ ভূত, ভৱিষ্যত আৰু বৰ্তমান - একেলগে বৰ্তমান।"[২৩] অনন্য কবি কল্পনা এই মায়া উপবনেৰে শঙ্কৰদেৱে প্ৰকৃতিৰ বৰ্ণনাৰে কাব্যৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ নিদৰ্শন দাঙি ধৰি গৈছে। একেখন কাব্যতে লক্ষ্মীৰ আৱিৰ্ভাৱৰ পাছত "ব্ৰহ্মাৰ দ্বাৰা লক্ষ্মীৰ স্বয়ম্বৰ প্ৰস্তাৱ" অংশত গঙ্গাদেৱীয়ে সুবৰ্ণৰ ঘট ধৰা, বিদ্যাধৰে গীত গোৱাৰ জৰিয়তে যি পৰিৱেশৰ বৰ্ণনা কৰিছে তাৰ মাজেদিও সৌন্দৰ্য ফুটি উঠিছে।

দেৱীৰ স্নানৰ হেতু বসন্ত মলয়া ঋতু
গন্ধ পুস্প ধৰিয়া সম্ভুত।
বিদ্যাধৰী গাৱে গীত অপেশ্বৰী কৰে নৃত্য
সুৰভি যোগাৱে অমৃত।।

## ৪.১১.০ নগৰ বৰ্ণনাৰ সৌন্দৰ্য ঃ

শঙ্কৰদেৱৰ কাব্যত নগৰৰ বৰ্ণনাই পাঠকক আনন্দ দিয়ে। জীৱনৰ প্ৰথম কাব্য *হৰিশ্চন্দ্ৰ উপাখ্যানত* হৰিশ্চন্দ্ৰ ৰজাৰ অযোধ্যা নগৰৰ বৰ্ণনা দিছে পাঁচৰ পৰা তেৰ সংখ্যক পদৰ মাজত। "পৃথিৱীত সাৰোগত অযোধ্যা নগৰ"ৰ প্ৰত্যেক ঘৰতে 'অচলা লক্ষ্মী'য়ে বাস কৰে। মাৰিমৰক, দুৰ্ভিক্ষ, চোৰ, বিঘ্নি শোক নথকা অযোধ্যা নগৰৰ বৰ্ণনা কবিৰ ভাষাত -

হীৰা মৰকত মণি মানিক অপাৰ।
পৰ্ব্বত সমান দৌল বান্ধিলা ভাণ্ডাৰ।।
সুবৰ্ণ ৰজত যত তাক কোনে লেখে।
যেহি ভিত্তি চক্ষু চাহে ৰত্নময় দেখে।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১৩)

২৩ ৰঞ্জিত কুমাৰ দেৱগোস্বামী, উল্লিখিত, পৃ. ৪৫

একেদৰে *ৰুক্মিণী হৰণ* কাব্যতো 'শ্ৰীকৃষ্ণৰ কুণ্ডিল যাত্ৰা' (১১৫-১১৮) লৈ কুণ্ডিল নগৰৰ বৰ্ণনা ১৯৭ ৰ পৰা ২০৯ সংখ্যক পদলৈ দ্বাৰকা নগৰৰ বৰ্ণনা সবিশেষ ৰূপত দাঙি ধৰিছে।

**৪.১২.০ শাৰীৰিক ৰূপ বৰ্ণনাৰ সৌন্দৰ্য ঃ**

পুৰুষ আৰু নাৰী চৰিত্ৰৰ শাৰীৰিক ৰূপৰ বৰ্ণনাৰেও শঙ্কৰদেৱে কাব্যসমূহত সৌন্দৰ্য বৃদ্ধি কৰিছে। বিশেষকৈ নাৰীৰ মনোমোহা ৰূপৰ বৰ্ণনাত কবি সিদ্ধহস্ত। শঙ্কৰদেৱৰ কাব্যৰ সকলো নাৰী একেই ধৰণৰ - *ৰুক্মিণী হৰণ* কাব্যৰ ১৮-৩১ লৈ কবিয়ে ৰুক্মিণীৰ ৰূপ বৰ্ণনা কৰিছে।

চন্দ্ৰতো অধিক জ্বলে বদনৰ কান্তি।
দশন নিবিৰ যেন মুকুতাৰ পান্তি।।
আয়ত লোচন সম নোহয় কমলে।
মদনৰ ধনু সম ভ্ৰুৰ যুগ জলে।। (পদ ১৯)

*অমৃত মথন*তো শ্ৰীলক্ষ্মীৰ দৈহিক সৌন্দৰ্যৰ বৰ্ণনা কৰিছে এনেদৰে -

দশন মুকুতা শাৰী মুখে অল্প হাসি
দ্ৰূৰ সুৱলিত চক্ষু কমলৰ পাসি।।
সম্পূৰ্ণ চন্দ্ৰমা বদনক সম নুই।
মোলানৰ পাৰ সুৱলিত বাহু চুই।। (পদ ৩৪০)

একেখন কাব্যতে মোহিনীৰ ৰূপৰ বৰ্ণনা কৰিছে এনেদৰে -

তপ্ত সুৱৰ্ণৰপ সম জ্বলে দেহ নিৰূপম
ললিত বলিত হাত পাৱ।
চক্ষু কমলৰ পাসি মুখে দেখি অল্প হাসি
সঘনে দৰশে কামভাৱ।।
(পদ ৬১৭)

প্ৰায় একেধৰণৰ কবি প্ৰসিদ্ধিৰ প্ৰয়োগেৰে শঙ্কৰদেৱে নাৰী দেহৰ ৰূপ বৰ্ণনা কৰিছে। তথাপিও শঙ্কৰদেৱৰ কাব্যত বিবাহিতা নাৰীৰ বৰ্ণনাৰ প্ৰসঙ্গত শাৰীৰিক সৌন্দৰ্যতকৈ চাৰিত্ৰিক লাৱণ্যৰ ওপৰতহে

অধিক গুৰুত্ব দিয়া যেন ধাৰণা হয়। উদাহৰণস্বৰূপে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যত শৈব্যাৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ বক্তব্য এনেধৰণৰ -

শৈব্যা নামে ভৈলা তান প্ৰিয়া পটেশ্বৰী।
স্ত্ৰীৰত্ন মাজে লেখি গুণৱতী সতী।
ৰূপত পাৰ্ব্বতী পতিব্ৰতা পূণ্যৱতী।। ১৫

পতি ব্যতিৰেকে সপোনতো নাহি।।

*হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যত মহাৰাজ হৰিশ্চন্দ্ৰক বধবধক নামৰ চাণ্ডালৰ ওচৰত বিক্ৰীৰ সময়ত চাণ্ডালৰ ৰূপ বৰ্ণনা একেলগে ভয় লগা আৰু আনহাতে হাস্যকৰো। যেন আঙ্গাৰৰ বৰ্ণ জলৈ কলেবৰ।

অঙ্গকূপ যেন জ্বলৈ নাসিকা বিবৰ।। ৩৩৩

ডাঙ্গৰ দুগোটা চক্ষু যেন ঔৰ কটি।
বিকট বিদূৰ আপ্তি দান্ত আছে তৰি।।
ফাগুনীয়া বাৰ যেন নাকৰ বতাস।
ওলমিছে পেট যেন বৰ মৌৰ বাঁস।। ৩৩৪

ফাগুনীয়া বাৰ ৰ দৰে নাকৰ বতাস আৰু বৰ মৌৰ দৰে পেটৰ বৰ্ণনাই চণ্ডালৰ পেটৰ আকৃতি তথা পাঠকৰ চকুৰ আগৰ পৃথিৱীৰ উদাহৰণ দাঙি ধৰা দেখা যায়। ভয় লগা চণ্ডালৰ হাঁহি উঠা ৰূপৰ বৰ্ণনা শঙ্কৰদেৱৰ কাব্যত এনেদৰে জীৱন্ত হৈ প্ৰকাশ পোৱা দেখা যায়।

একেখন কাব্যতে হৰিশ্চন্দ্ৰৰ ৰূপৰ বৰ্ণনাতো কবি কল্পনাৰ উৎকৃষ্ট প্ৰকাশ দেখা যায়। পুত্ৰশোকত কাতৰ শৈব্যাই ৰোহিতাশ্বৰ শ সৎকাৰ কৰিবলৈ গৈ চণ্ডালৰূপী হৰিশ্চন্দ্ৰক চিনিছে এনেদৰে -

হৰিশ্চন্দ্ৰ নৃপতিৰ শুনো যেন মাত।
তেহুয় আকাৰ সুৰলিত ভৰি হাত।।
নিশ্চয় জানিলো মোৰ হোৱে প্ৰাণনাথ।
তাহানেসে দেখো ইটো ছত্ৰাকৃত মাথ।। ৪০১

সেহিসে উন্নত নাসা যেন তিলফুল।
পদ্মসম লোচন কুঞ্চিতক নীল কেশ
বহল হৃদয় সিংহবদ্ধ কটিদেশ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৪০২)

অথচ সেইজন হৰিশ্চন্দ্ৰকে ৰোহিতাশ্বৰ শ সৎকাৰ কৰিবলৈ আনোতে প্ৰথমে শৈব্যাই চিনি পোৱা নাছিল। কিয়নো সেই সময়ত হৰিশ্চন্দ্ৰ আছিল চণ্ডাল ৰূপত। যাৰ বৰ্ণনা দিছিল এনেদৰে -

কঙ্কালত লাঙ্গতি কান্ধত কোৰ পাৰি
বিকৃত চাণ্ডাল বেশ চিনিবে নুৱাৰি।। ৩৭২

ধূলায়ে জটিলা ভৈলা আউল সবে কেশ।
মহা কৃষ্ণবৰ্ণ ভৈলা পিশাচৰ বেশ।।
ৰত্নৰ মোলান আঙ্গুলিৰ পান্তি
তপ্ত সুৱৰ্ণৰ বৰ্ণ শৰীৰৰ কান্তি।। (৩৭৪, হৰিশ্চন্দ্ৰ উপাখ্যান)

শঙ্কৰদেৱে এনেদৰেই পুৰুষ চৰিত্ৰৰ সুন্দৰ-অসুন্দৰ দুয়োটা ৰূপৰ বৰ্ণনা কাব্যসমূহত কৰি থৈ গৈছে।